

# আইন সন্মত সাক্ষৰতা প্ৰকল্প

PREPARED BY

CSC
e-Governance Services India Limited

SUPPORTED BY

सत्यमेव जयते

Department of Justice
Ministry of Law & Justice
Government of India

**For more information, please contact:**
Programme Management Unit
CSC e-Governance Services India Limited
Electronics Niketan, 3rd Floor,
6, CGO Complex, Lodhi Road
New Delhi – 110003
Tel: +91-11-24301349
Web: www.csc.gov.in

# বিষয়বস্তু


**অধ্যায় ঃ ১. ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ** ...... ৬

অধ্যায় ঃ ২. বিনামূলীয়া আইনগত সাহায্য ...... ৯

অধ্যায় ঃ ৩. মহিলা সকলৰ অধিকাৰ ...... ১২

ক. ঘৰুৱা হিংসা ...... ১২

খ. ভাৰতীয় দণ্ড সংহিতা (IPC) ...... ১৪

গ. মহিলা সকলক গ্রেপ্তাৰ কৰাৰ বিশেষ ব্যৱস্থা ...... ১৫

অধ্যায় ঃ ৪. অপৰাধী প্রক্রিয়া সংহিতা ...... ১৬

ক. এফ. আই. আৰ মানে কি (প্ৰথম সূচনাৰ বিৱৰণ) ...... ১৬

খ. জামিন ...... ১৭

গ. গ্রেপ্তাৰ ...... ১৮

অধ্যায় ঃ ৫. শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ...... ১৯

অধ্যায় ঃ ৬. খাদ্য সুৰক্ষা আইন, ২০১৩ ...... ২১

অধ্যায় ঃ ৭. অনুসূচীত জাতিযঅনুসূচীত জনজাতি অত্যাচাৰ নিবাৰণ আইন ১৯৮৯ ...... ২৩

অধ্যায় ঃ ৮. বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি আৰু অন্যান্য পৰম্পৰাগত লোকৰ (বনাঞ্চল অধিকাৰ স্বীকৃতি) আইন য সংশোধনী ...... ২৬

অধ্যায় ঃ ৯. তথ্য জনাৰ অধিকাৰ আইন ২০০৫ ...... ২৮

ক. আৰটিআই দাখিল কৰাৰ প্রক্রিয়া (অফলাইন) ...... ২৯

খ. আৰটিআই দাখিল প্রক্রিয়া (অনলাইন) ...... ২৯

খ. আৰটিআই দাখিল প্রক্রিয়া (অনলাইন) ...... ৩১

## সংক্ষিপ্ত নাম

| | |
|---|---|
| AAY | অন্তোদয়া অন্ন যোজনা |
| APIO | সহকাৰী চৰকাৰী তথ্য বিষয়া |
| BPL | দৰিদ্ৰ সীমাৰেখাৰ তলত |
| CBO | সম্প্ৰদায় আধাৰীত সংগঠন |
| CSC | উমৈহতীয়া সেৱা কেন্দ্ৰ |
| CIC | কেন্দ্ৰীয় তথ্য আয়োগ |
| DALSA | জিলা আইন সেৱা কৰ্তৃপক্ষ |
| DIG | উপ মহা-পৰিদৰ্শক |
| DIR | ঘৰুৱা কন্দলৰ প্ৰতিবেদন |
| DSP | আৰক্ষী উপ-অধীক্ষক |
| FAA | প্ৰথম আপীল কৰ্তৃপক্ষ |
| FRA | বনাঞ্চল অধিকাৰ আইন |
| IG | আৰক্ষী মহা-পৰিদৰ্শক |
| IPC | ভাৰতীয় দণ্ড সংহিতা |
| LSA | বিধি সেৱা কৰ্তৃপক্ষ |
| MFPs | সামান্য বনাঞ্চলৰ উৎপাদন |
| NCPCR | ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ |
| NGO | বেচৰকাৰী সংগঠন |
| NFSA | ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন |
| PIO | ৰাজহুৱা তথ্য বিষয়া |
| PO | সুৰক্ষা বিষয়া |
| PWDV | ঘৰুৱা হিংসাৰ পৰা মহিলাৰ সুৰক্ষা |
| RTE | শিক্ষাৰ অধিকাৰ |
| SC | অনুসূচীত জাতি |
| SCPCR | ৰাজ্যিক শিশু অধিকাৰ আয়োগ |
| SP | সেৱা প্ৰদাতা |
| SP | আৰক্ষী অধীক্ষক |
| ST | অনুসূচীত জনজাতি |
| SIC | ৰাজ্যিক তথ্য আয়োগ |
| SMC | বিদ্যালয় পৰিচালনা সমিতি |
| SMS | চৰ্ট মেচেজ চাৰ্ভিছে |
| TLSC | তালুক বিধি সেৱা সমিতি |
| VLE | গ্ৰামীণ পৰ্যায়ৰ উদ্যোক্তা |

## আগকথা

সাধাৰণতে দেখা যায় যে গ্ৰাম্য আৰু চহৰ অঞ্চলত থকা সৰ্বসাধাৰণ লোকে, সংবিধান অথবা ইয়াত অন্তৰ্নিহিত অধিকাৰ বা আইনৰ বিষয়ে অজ্ঞ। কোনো এজন লোক বা এটা সম্প্ৰদায় যেতিয়া নিশকটীয়া বা বিক্ষুব্ধ হয়, তেতিয়া কি কৰিব লাগে এই বিষয়েও তেওঁলোক অজ্ঞ। এনেকুৱা বহুতো শিক্ষিত লোক আছে, যি সকলে তেওঁলোকৰ অধিকাৰ ভঙ্গ হ'লে বা শোষিত হ'লে কাৰ লগত যোগাযোগ কৰিব বা কি পদক্ষেপ গ্ৰহণ কৰিব লাগে এই বিষয়েও অজ্ঞ। এই ধৰণৰ কাৰ্যক তেওঁলোকে ভাগ্যৰ লিখন বুলি স্বীকাৰ কৰি লয় বা আদ্যবন্ত লোকৰ বিজয় বুলি গণ্য কৰে। এই ধৰণৰ পৰিস্থিতিয়ে শোষক আৰু শোষিত শ্ৰেণীৰ মাজত থকা ব্যৱধানক বিস্তৃত কৰি তোলে।

বিধিসন্মত সাক্ষৰতাৰ ওপৰত মনোনিৱেশ কৰা, এই তথ্যৰাজিয়ে তেওঁলোকৰ আইনৰ ওপৰত থকা জ্ঞানখিনিক বৃদ্ধি কৰিবলৈ; ইয়াক বাস্তৱিকতে ব্যৱহাৰিক কৰি তুলিবলৈ; সম্প্ৰদায়ৰ নেতৃবৰ্গৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ অত্যন্তই উপযোগী হ'ব; আৰু এটা সমতাবাদী আৰু ন্যায়সঙ্গত সমাজ গঢ়ি তুলিবলৈ, তথা সমাজক শোষণৰ পৰা মুক্ত কৰিবলৈ অৰিহণা দি সহায় কৰিব। এই তথ্যৰাজিৰ দ্বাৰা, নাগৰিক সকলে অন্যায়পূৰ্ণ আচৰণৰ মাজত থকা প্ৰভেদবোৰক আঁতৰ কৰিব পাৰিব আৰু ন্যায় লাভ কৰিবলৈ বিধিসন্মতভাৱে এইবোৰৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাব পাৰিব। এই হাতপুথিৰ উদ্দেশ্য হৈছে আমাৰ বৈধ অধিকাৰ আৰু আইনসন্মত সেৱাবোৰৰ বিষয়ে প্ৰাৰম্ভিক তথ্য প্ৰদান কৰা।

এই তথ্যৰাজিক চি.এচ.চি. ই-গভাৰ্নেঞ্চ চাৰ্ভিছেচ ইণ্ডিয়া লিমিটেড, ভাৰত চৰকাৰৰ বিধি আৰু ন্যায় মন্ত্ৰালয়, আইন বিভাগৰ আন্তৰিক সহযোগিতাত প্ৰস্তুত কৰি উলিওৱা হৈছে।

এই তথ্যৰাজিয়ে সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব আৰু সকলোৰে বাবে এটা প্ৰতিষ্ঠিত নিৰ্দেশিকা হিচাপে কাম কৰিব বুলি আশা কৰিছো।

অধ্যায় ১

# ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ

## পৃভূমি

ভাৰতীয় সংবিধানত, ইয়াৰ নাগৰিক সকলক প্ৰদান কৰা বুনিয়াদী অধিকাৰবোৰক মৌলিক অধিকাৰ বুলি কোৱা হৈছে। এই অধিকাৰ সমূহ বৰ্ণ, জাতি, ধৰ্ম, গোত্ৰ, লিঙ্গ বা জন্মস্থান নিৰ্বিশেষে সকলো নাগৰিকৰ ওপৰত বিশ্বজনীনভাৱে প্ৰযোজ্য। এজন ব্যক্তিৰ মৌলিক অধিকাৰ বলবৎ কৰিবলৈ বা ইয়াক ভঙ্গ কৰাৰ বিৰুদ্ধে মনোযোগ আকৰ্ষণ কৰিবলৈ এজন নাগৰিকে উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ কাষ চাপিব পাৰে। মৌলিক অধিকাৰৰ উদ্দেশ্য হৈছে দেশৰ প্ৰতিজন নাগৰিকৰ সমানতা আৰু ব্যক্তিগত স্বাধীনতা আধাৰিত গণতন্ত্ৰৰ নীতিক সুৰক্ষা প্ৰদান কৰা। মৌলিক অধিকাৰ সকলোৰে বাবে, আৰু ই সমান প্ৰকৃতিৰ। এখন স্বাধীন দেশৰ নাগৰিক সকলৰ বহুতো মৌলিক অধিকাৰৰ স্বত্ব থাকে যিয়ে তেওঁলোকৰ নিৰাপত্তা, সুৰক্ষা আৰু মৰ্যাদা সুনিশ্চিত কৰে।

## উদ্দেশ্য

- দেশৰ প্ৰতিজন নাগৰিকৰ সমানতা আৰু স্বাধীনতাক সকলো পৰ্যায়ত সুনিশ্চিত কৰা।
- এজন ব্যক্তিৰ স্বাধীনতা খৰ্ব হ'লে তেওঁক ন্যায় প্ৰদান কৰিবলৈ যৎপৰোনাস্তি সকলো ন্যায়সঙ্গত ব্যৱস্থা সুনিশ্চিত কৰা আৰু নাগৰিকসকলক সন্মানজনকভাৱে জীয়াই থকাৰ সুবিধা সুনিশ্চিত কৰা।
- এটা সজাগ, সংবেদনশীল আৰু উন্নত সমাজ গঢ়ি তোলা।

## তলত অধিকাৰবোৰৰ বিষয়ে সবিশেষ দাঙি ধৰা হৈছে

### ১. সমানতাৰ অধিকাৰ

ইয়াৰ মানে হৈছে দেশে সকলোৰে লগত একেধৰণৰ ব্যৱহাৰ কৰিব, অৰ্থাৎ আইনৰ চকুত সকলো সমান। কোনো ব্যক্তিৰ লগত জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়, লিঙ্গ বা জন্ম স্থানৰ আধাৰত ভেদাভেদ কৰিব নোৱাৰিব। দেশে কোনো নাগৰিকৰ ওপৰত তেওঁৰ জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়, লিঙ্গ বা জন্ম স্থানৰ আধাৰত তেওঁ বা তাইৰ দৈনন্দিন সুযোগ-সুবিধা আদায় কৰাৰ ক্ষেত্ৰত পক্ষপাতমূলক আচৰণ কৰিব নোৱাৰিব।

সংবিধানৰ অধীনত অস্পৃশ্যতাৰ অনুশীলন এটা অপৰাধ গতিকে এটা শাস্তিমূলক অপৰাধ বুলি ঘোষণা কৰা হৈছে। সকলোৰে বাবে সমানতা সুনিশ্চিত কৰিবলৈ ব্ৰিটিচ চৰকাৰে প্ৰদান কৰা ৰায় বাহাদুৰ বা চাৰৰ দৰে উপাধীবোৰক আঁতৰ কৰা হৈছে।

### ২. স্বাধীনতাৰ অধিকাৰ

এই অধিকাৰে নাগৰিক এজনক প্ৰতিশ্ৰুতি দিয়ে ঃ

- মাত মতাৰ আৰু প্ৰকাশ কৰাৰ স্বাধীনতা;
- অস্ত্ৰ-শস্ত্ৰ অবিহনে শান্তিপূৰ্ণভাৱে একত্ৰিত হোৱাৰ স্বাধীনতা;
- সংস্থা বা সংঘ বা সমবায় সমিতি গঠন কৰাৰ স্বাধীনতা;
- সমগ্ৰ দেশত ইমূৰৰ পৰা সিমূৰলৈ মুক্তভাৱে বিচৰণ কৰাৰ আৰু বসবাস বা স্থায়ীভাৱে বসবাস কৰাৰ স্বাধীনতা, জম্মু আৰু কাশ্মীৰৰ বাহিৰে,—তাত থকা কেতবোৰ নিষেধাজ্ঞাৰ বাবে;
- যিকোনো কাম বা বৃত্তি, ব্যৱসায় বা বাণিজ্য কৰাৰ স্বাধীনতা।

এই অধিকাৰে জীৱন আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰ অধিকাৰো প্ৰদান কৰে, অৰ্থাৎ নাগৰিকসকলক মৰ্যাদিতভাৱে জীয়াই থকাৰ আৰু ইয়াক খৰ্ব কৰিলে তাৰ বিৰুদ্ধে তথা গ্ৰেপ্তাৰ বা দোষাৰোপৰ পৰা পৰিত্ৰাণ পাবলৈ আইনৰ সহায় ল'ব পাৰে।

### ৩. শোষণৰ বিৰুদ্ধে অধিকাৰ

এই অধিকাৰে পুৰুষ, মহিলা আৰু শিশুৰ লগতে মানৱীয় সৰবৰাহক ৰোধ কৰাক সুনিশ্চিত কৰে। ইয়াক ভঙ্গ কৰাতো এটা অপৰাধ আৰু এটা শাস্তিৰ যোগ্য কাৰ্য। ইয়াৰ অধীনত, শিশু শ্ৰমক এটা অপৰাধ আৰু শাস্তিমূলক অপৰাধ বুলি বিবেচনা কৰা হৈছে। গতিকে ১৪ বছৰৰ তলৰ শিশুক বিপদজনক কৰ্মস্থলীৰ লগতে ফে'’ৰী আৰু খনি ইত্যাদিত নিয়োজিত কৰা কাৰ্যক বৰ্জিত কৰা হৈছে।

### ৪. ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ



এই অধিকাৰে নাগৰিক সকলক নিজৰ চৈতন্য আৰু পছন্দ অনুসৰি মুক্তভাৱে যি কোনো ধৰ্মৰ ধৰ্মপোদেশ, অনুশীলন আৰু প্ৰচাৰ সুনিশ্চিত কৰে। এই অধিকাৰে নাগৰিক সকলক ধাৰ্মিক কাৰ্যকলাপ আয়োজন কৰাৰ; তেওঁৰ বা তাইৰ ধাৰ্মিক সম্প্ৰদায়ৰ বাবে দাতব্য প্ৰতিষ্ঠান স্থাপন কৰাৰ; বিধিসন্মতভাৱে সম্পত্তি সংগ্ৰহ কৰাৰ; ইয়াৰ ওপৰত মালিকানা স্বত্ব লাভ কৰাৰ আৰু ইয়াৰ ওপৰত নিজৰ কৰ্তৃত্ব খটোৱাৰ স্বাধীনতা সুনিশ্চিত কৰে। দেশে কোনো ব্যক্তিক কোনো বিশেষ ধৰ্মৰ সামাজিক কল্যাণ আৰু সংস্কাৰ সাধনৰ বাবে কৰা প্ৰচাৰৰ ওপৰত কৰ দিবলৈ বাধ্য কৰিব নোৱাৰে। লগতে চৰকাৰী প্ৰতিষ্ঠান এটাই কোনো বিশেষ ধৰ্মক উদগনিমূলক শিক্ষা দিব নোৱাৰিব আৰু এই ধৰণৰ প্ৰতিষ্ঠানে কোনো বিশেষ ধৰ্মৰ পৰম্পৰাত যোগদান কৰিবলৈ নিজৰ ছাত্ৰ-ছাত্ৰীক বাধ্য কৰিব নোৱাৰিব।

### ৫. সংস্কৃতি আৰু শিক্ষাৰ লগত জড়িত অধিকাৰ



এই অধিকাৰ সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰিবলৈ বিশেষ ব্যৱস্থা কৰিছে। সকলো সংখ্যালঘু সম্প্ৰদায়ৰ নিজৰ ভাষা, লিপি আৰু সংস্কৃতিক সংৰক্ষিত কৰাৰ অধিকাৰ আছে আৰু সংখ্যালঘু সম্প্ৰদায়ৰ কোনো লোকক কোনো চৰকাৰী সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠানত প্ৰৱেশ কৰাৰ পৰা বাধা দিব নোৱাৰিব। সকলো সংখ্যালঘুৰ নিজৰ সংস্কৃতিক সংৰক্ষিত আৰু বিকশিত কৰিবলৈ নিজাববীয়াকৈ শিক্ষানুষ্ঠান স্থাপন কৰিব পাৰে আৰু ইয়াক এটা সংখ্যালঘু প্ৰতিষ্ঠানে পৰিচালনা কৰাৰ অজুহাতত দেশে তেওঁলোকক সাহায্য প্ৰদান কৰাত ভেদাভেদ কৰিব নোৱাৰিব।

### ৬. সাংবিধানিক নিৰাময়ৰ অধিকাৰ

সংবিধান প্ৰদত্ত মৌলিক অধিকাৰবোৰক যদি দেশ/চৰকাৰ/ব্যক্তিৰ দ্বাৰা খৰ্ব কৰা হৈছে, তেতিয়া ক্ষুব্ধ নাগৰিকে ইয়াৰ দ্ৰুত প্ৰতিকাৰৰ বাবে উচ্চ ন্যায়ালয় বা সৰ্ব্বোচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰে। এই সংক্ৰান্তত উচ্চ ন্যায়ালয় বা সৰ্ব্বোচ্চ ন্যায়ালয়ক নিম্নলিখিত পাঁচটা ৰিট বা আজ্ঞালেখ জাৰি কৰাৰ ক্ষমতা দিয়া হৈছে।

- **বন্দী প্ৰত্যক্ষীকৰণ (Habeas Corpus)** ঃ আইনত শৰণ দিয়া হৈছে যে অন্যায়ভাৱে আটক কৰি ৰখা বা কাৰাবন্দী কৰি ৰখাৰ বিৰুদ্ধে নাগৰিক এজনে ন্যায়ালয়ৰ কাষ চাপিব পাৰে। ইয়াৰ জৰিয়তে ন্যায়ালয়ে সংব্ৰক (কাৰাগাৰৰ বিষয়া) জনক আৰু অবৈধভাৱে আটক কৰাৰ ব্ৰত ব্যক্তিক সম্বোধন কৰি কাৰাবন্দীক ন্যায়ালয়ত হাজিৰ কৰিবলৈ আদেশ দিয়া হয়, তথা সংব্ৰ

কক কর্তৃত্বৰ প্ৰমাণ দিবলৈ কোৱা হয় যাতে মহামান্য আদালতে কয়েদীক কাৰাগাৰত ন্যায়সঙ্গতভাৱে ৰখাৰ ন্যায্য বিচাৰ কৰিব পাৰে।

- **নিম্ন আদালতৰ প্ৰতি উচ্চ আদালতৰ হুকুমনামা বা পৰমাদেশ (Mandamus) ঃ** এইটো হৈছে এটা উচ্চ আদালতে (যেনে ভাৰতৰ সৰ্ব্বোচ্চ ন্যায়ালয় আৰু উচ্চ ন্যায়ালয় সমূহ) ভাৰতৰ যি কোনো চৰকাৰী কৰ্তৃপক্ষ, নিম্ন আদালত, পৌৰ নিগম, বা ৰাজহুৱা কৰ্তৃপক্ষ সমূহক আইনৰ অধীনত এই সংগঠন সমূহে কৰিবলৈ বাধ্য ৰাজহুৱা কৰ্ত্তব্যৰ লগত জড়িত কিছুমান বিশেষ কাৰ্য সম্পাদন কৰিবলৈ আদেশ দিব পৰাৰ এটা ন্যায়িক ব্যৱস্থা।
- **নিষিদ্ধকৰণ ৰিট (Writ of Prohibition) ঃ** নিষিদ্ধকৰণ ৰিট হৈছে সৰ্বোচ্চ ন্যায়ালয় বা উচ্চ ন্যায়ালয় সমূহে নিম্ন আদালত বা ট্ৰিবিউনেল সমূহক নিজৰ অধিকাৰ ক্ষেত্ৰৰ বাহিৰত থকা গোচৰৰ ওপৰত আগ নাবাঢ়িবলৈ দিয়া আদেশ।
- **উৎপ্ৰেষণ-লেখ (Certiorari) ঃ** এইটো হৈছে এটা উচ্চতৰ ন্যায়ালয়ে (যেনে—ভাৰতৰ সৰ্ব্বোচ্চ ন্যায়ালয় আৰু উচ্চ ন্যায়ালয় সমূহ) বিষয়টোক নিজে সমীক্ষা কৰিবলৈ এটা নিম্ন আদালত, ট্ৰিবিউনেল, বা অন্যান্য ৰাজহুৱা কৰ্তৃপক্ষক বিচাৰ প্ৰক্ৰিয়াৰ প্ৰতিবেদন দাখিল কৰিবলৈ জাৰি কৰা আদেশ।
- **স্থিতাৱস্থা (Quo warranto) ঃ** এইটো হৈছে এটা বিশেষ ক্ষমতাৰ ৰিট যাৰ্লৈ ইয়াক জাৰি হয় সেই ব্যক্তিয়ে দাবী কৰা কিছু অধিকাৰ বা ক্ষমতাক কাৰ্যকৰী কৰাৰ কি কৰ্তৃত্ব আছে তাক প্ৰমাণিত কৰিবলৈ কোৱা হয় আৰু যেতিয়ালৈকে সি ইয়াৰ সন্তোষজনক উত্তৰ নিদিয়ে তেতিয়ালৈকে সি বা তাই নিজৰ কৰ্ত্তব্য কাৰ্যকৰী কৰিব।

**কলৈ যাব ?**

- এজন নাগৰিকৰ মৌলিক অধিকাৰ ভঙ্গ হলে, ক্ষুব্ধ নাগৰিকজনে তাৰ পৰা দ্ৰুত প্ৰতিকাৰৰ বাবে উকীলৰ জৰিয়তে ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয় বা উচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰে।
- যদি ব্যক্তিগৰাকী বিনামূলীয়া বিধিসন্মত সহায় পোৱাৰ অধিকাৰী তেন্তে তেওঁ জিলা আইন সেৱা কৰ্তৃপক্ষ/উচ্চ ন্যায়ালয় আইন সেৱা সমিতি/উচ্চতম ন্যায়ালৰ যোগেদি ৰিট আবেদন দাখিল কৰিব পাৰে।
- আইন সন্মত তথ্যৰ সাহায্যৰ বাবে চি.এচ.চি. কেন্দ্ৰবোৰতো যোগাযোগ কৰিব পাৰি।

অধ্যায় ২

# বিনামূলীয়া আইনৰ সাহায্য

## ন্যায়িক সেৱা

### পটভূমি

ভাৰতবৰ্ষত আইন সহায়ক বিকেন্দ্ৰীকৰণ ব্যৱস্থা স্থাপন কৰিবলৈ আইন সেৱা প্ৰাধিকৰণ অধিনিয়ম ১৯৮৭ বলবৎ কৰা হৈছে। এই আইনৰ অধীনত, ৰাষ্ট্ৰীয় পৰ্যায়ৰ নীতি আৰু আঁচনিবোৰৰ ওপৰত সিদ্ধান্ত কৰিবলৈ কেন্দ্ৰীয় পৰ্যায়ত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ গঠন কৰা হৈছে। কালক্ৰমত ৰাষ্ট্ৰীয় নীতিবোৰক কাৰ্যকৰী কৰিবলৈ তথা ৰাজ্যৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ আৰু জিলা তথা খণ্ড পৰ্যায়ত আইন সেৱা সমিতি গঠন, তত্বাৱধান আৰু চোৰাচিতা কৰিবলৈ ৰাজ্যিক পৰ্যায়ত আইন সেৱা প্ৰাধিকৰণ গঠন কৰা হয়। এই প্ৰতিষ্ঠানসমূহে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক সকলক বিনামূলীয়া বিধিগত সেৱা প্ৰদান কৰে। প্ৰাধিকৰণৰ সেৱা আদায় কৰিব বিচৰা লোক সকলে উপ জিলা/তালুক/তেহচিলত থকা আইন সেৱা প্ৰাধিকৰণৰ কাষ চাপিব পাৰে।

### বিনামূলীয়া আইন সেৱাত কি কি সেৱা অন্তৰ্ভুক্ত কৰা হৈছে?

যি কোনো ন্যায়ালয়ত এটা গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া চলাই নিবৰ বাবে বা এটা নৈতিক প্ৰক্ৰিয়া চলাই নিবলৈ উকীল এজনৰ সেৱাৰ বাবে খৰচ বহন কৰিব নোৱাৰা দুখীয়া আৰু অভাৱগ্ৰস্থ লোকসকলক বিনামূলীয়া বৈধানিক সেৱাবোৰক সামৰি লোৱা হৈছে।

### উদ্দেশ্য

- সমাজৰ দুখীয়া শ্ৰেণীৰ লোক সকলক বিনামূলীয়া আৰু উপযুক্ত আইনগত সেৱা প্ৰদান কৰা। আইনগত সাহায্যৰ অৰ্থ হৈছে যি কোনো ন্যায়ালয়ত এটা গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া চলাই নিবৰ বাবে বা এটা নৈতিক প্ৰক্ৰিয়া চলাই নিবলৈ উকীল এজনৰ সেৱাৰ বাবে খৰচ বহন কৰিব নোৱাৰা দুখীয়া আৰু অভাৱগ্ৰস্ত লোক সকলক বিনামূলীয়া বৈধানিক সেৱা প্ৰদান কৰা।
- আৰ্থিক বা অন্যান্য অক্ষমতাৰ বাবে কোনো নাগৰিকে যাতে ন্যায়ৰ পৰা বঞ্চিত নহয় তাক সুনিশ্চিত কৰা।
- ন্যায়িক ব্যৱস্থাৰ বিকাশে যাতে সমান সুবিধাৰ আধাৰত ন্যায় প্ৰদান কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈ লোক আদালত আয়োজন কৰা।

### আইন সেৱা আদায় কৰাৰ যোগ্যতা

- মহিলা আৰু শিশু
- অনুসূচীত জাতি আৰু জনজাতিৰ সদস্য
- উদ্যোগিক শ্ৰমিক
- মানৱ সৰবৰাহৰ ভুক্তভোগী বা ভিক্ষাৰী
- ব্যাপক দুৰ্যোগ, হিংসা, বানপানী, খৰাং পৰিস্থিতি, ভূমিকম্প, উদ্যোগিক দুৰ্যোগ ইত্যাদিৰ ভুক্তভোগী লোক।
- বিশেষভাৱে সক্ষম লোক (বিকলাঙ্গ)
- ন্যায়িক জিম্মাত থকা ব্যক্তি
- যিসকল ব্যক্তিৰ বছৰেকীয়া আমদানি ১,০০,০০০/- টকাৰ অধিক নহয়। (উচ্চতম ন্যায়ালয়ত, আমদানিৰ উৰ্ধতম সীমা ১,২৫,০০০/- টকা কিছুমান ৰাজ্যত এই সীমা হৈছে ৫০,০০০/- টকা।)

### ক'লৈ যাব

- বিনামূলীয়া আইনগত সেৱা লাভ কৰিবলৈ আপোনাৰ তেহচিল/মহকুমা আইন সেৱা সমিতি/জিলা আইন সেৱা কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰক। এই কৰ্তৃপক্ষ সমূহ তালুকা আদালত/জিলা আদালত পৰিসৰত থাকে।
- সহায়ৰ বাবে আপুনি নিজৰ কাষত থকা চি.এচ.চি. কেন্দ্ৰৰ লগতো যোগাযোগ কৰিব পাৰে।

## লোক আদালত

### পটভূমি

লোক আদালত মানে হৈছে ৰাইজৰ আদালত। বিভিন্ন আদালতত পৰি থকা গোচৰবোৰক (একমাত্ৰ সংযোজনীয়ৰ আৰু সৰুসুৰা গোচৰবোৰক) লোক আদালতত দুয়োপক্ষৰ মাজত মধ্যস্থতা আৰু বন্দোবস্ত প্ৰক্ৰিয়াৰে নিষ্পত্তি কৰা হয়। আদালতবোৰৰ গধুৰ বোজাক কম কৰা আৰু মোকৰ্দ্দমা কৰোতা জনক সোনকালে সকাহ দিয়াৰ ৰণনীতিৰ অংশ হিচাপে লোক আদালত বিকশিত হৈছে।

### উদ্দেশ্য

- সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক সকলক দ্ৰুততাৰে ন্যায় প্ৰদান কৰা
- জনসাধাৰণৰ মাজত বিবাদবোৰক আলোচনাৰ মাজেৰে নিষ্পত্তি কৰা আৰু লোক আদালতৰ ন্যায়িক বৈধতাৰ বিষয়ে সজাগতা সৃষ্টি কৰা।
- লোক আদালত আয়োজনৰ প্ৰক্ৰিয়াক বৃদ্ধি কৰা।
- ৰাইজক আনুষ্ঠানিক গাঠনিৰ বাহিৰলৈ গৈ তেওঁলোকৰ বিবাদবোৰক নিষ্পত্তি কৰিবলৈ উৎসাহিত কৰা।
- ন্যায় প্ৰদানৰ ব্যৱস্থাত জনসাধাৰণক বিশেষকৈ মহিলা সকলক সৰলীকৰণ কৰা।

### লোক আদালতলৈ প্ৰেৰণ কৰাৰ পাত্ৰতা বা যোগ্যতা

- যি কোনো আদালতত লম্বিত হৈ থকা (একমাত্ৰ সংযোজনীয় আৰু সৰুসুৰা গোচৰ।)
- যি কোনো আদালতৰ সন্মুখত এতিয়ালৈকে উত্থাপিত নোহোৱা আৰু যিকোনো আদালতত দাখিল কৰিব পৰাৰ সম্ভাৱনা থকা বিবাদসমূহ।

### লোক আদালতলৈ নিব পৰা গোচৰসমূহ

- সম্পত্তিৰ বিবাদ
- বৈবাহিক বিবাদ (ভৰণ-পোষণ, বিবাহ বিচ্ছেদ ইত্যাদি।)
- বীমাৰ দাবী
- অন্যান্য দেৱানীমূলক বিবাদ (যেনে যান-বাহন দুৰ্ঘটনাৰ গোচৰ, ঋণ পৰিশোধ, বেংকি ইত্যাদি।)
- সংযোজনমূলক অপৰাধীক গোচৰচ।



### লোক আদালতলৈ গোচৰবোৰক প্ৰেৰণ কৰাৰ প্ৰক্ৰিয়া

- আদালতত লম্বিত হৈ থকা গোচৰ ঃ

- যদি পক্ষসমূহে গোচৰটোক লোক আদালতত মীমাংসা কৰিবলৈ সন্মত হয়
- এটা পক্ষই যদি আদালতত আবেদন কৰিছে
- গোচৰটো লোক আদালতত নিষ্পত্তি কৰিবলৈ উপযুক্ত বুলি আদালত যদি সন্তুষ্ট হয়

---

১কম গুৰুত্বৰ প্ৰকৃতিৰ অপৰাধ। এই অপৰাধবোৰত অভিযোগকাৰীয়ে (গোচৰ তৰা ব্যক্তি অৰ্থাৎ ভুক্তভোগী), এটা বুজাপৰাত উপনীত হৈ,

২ আপোচ কৰিব পৰা অপৰাধবোৰ হৈছে কম গুৰুত্বৰ প্ৰকৃতিৰ অপৰাধ, যেনে— যিকোনো ব্যক্তিক আহত কৰিবলৈ ধাৰ্মিক ভাৱনাক আহত কৰিবলৈ জানিশুনি অপশব্দ বা গালি শপনি আদি দিয়া; অপৰাধ বা অনুমতি নোহোৱাকৈ ঘৰত প্ৰৱেশ কৰা; বিপদজনক অস্ত্ৰৰে ইচ্ছাকৃতভাৱে আহত কৰা, অন্যায়ভাৱে সম্পত্তি ইত্যাদি গোটোৱা।

৩ এতিয়ালৈকে সিদ্ধান্ত নকৰা গোচৰ

- প্ৰাক মোকৰ্দ্দমা পৰ্যায়ৰ যিকোনো বিবাদ্
  ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ বা জিলা আইন সেৱা প্ৰাধিকৰণে, যি কোনো পক্ষৰ পৰা যিকোনো প্ৰাক মোকৰ্দ্দমা পৰ্যায়ৰ এটা আবেদন পোৱাৰ পিছত এই ধৰণৰ মৈত্ৰীপূৰ্ণ নিষ্পত্তিৰ বাবে লোক আদালতলৈ প্ৰেৰণ কৰিব পাৰে।

### সিদ্ধান্ত

- লোক আদালতৰ যিকোনো বিচাৰক এটা দেৱানী আদালতৰ হুকুম বুলি বিবেচনা কৰা হয়। গতিকে প্ৰ বোৰৰ মাজত এবাৰ এটা বুজাপৰাত উপনীত হোৱাৰ পিছত, লোক আদালতে, বাদীবোৰে জমা কৰা কোৰ্ট ফি ঘূৰাই দিয়ে।
- লোক আদালতৰ প্ৰত্যেক বিচাৰ বিবাদত জড়িত সকলো প্ৰ ৰ বাবে চূড়া"ন্ত আৰু বাধ্যতামূলক আৰু এই আদেশৰ বিৰুদ্ধে কোনো আদালতত আপীল কৰিব নোৱাৰিব। এই হুকুমটো লোক আদালতৰ আদেশক বৈধতা প্ৰদান কৰিব।

### সেৱা আদায় কৰিবলৈ কেতবোৰ স্মৰণীয় ও গুৰুত্বপূৰ্ণ বিষয় ঃ

- বিনামূলীয়া আইন সেৱা লাভ কৰাৰ যোগ্যতা থকা হিতাধিকাৰী সকলৰ বাবে ঃ যোগ্য মক্কেল সকলৰ বাবে আইন সেৱা প্ৰাধিকৰণে নিয়োগ কৰা উকীলৰ সেৱা বিনামূলীয়া হ'ব। গোচৰটো লোৱাৰ বাবে উকীলে আইন সেৱা প্ৰাধিকৰণৰ পৰা উপযুক্ত মাননি লাভ কৰিব। যদি মক্কেলৰ পৰা উকীলে ফিজ বিচাৰে, তেতিয়াহ'লে বিষয়টোক সংশ্লিষ্ট কৰ্তৃপক্ষৰ (সাধাৰণতে জিলা ন্যায়াধীশ) দৃষ্টিগোতৰ কৰিব লাগে।
- গোচৰৰ প্ৰক্ৰিয়াত হোৱা সকলো খৰচপাতি বিচাৰিব নোৱাৰিব (যেনে —এটা বিধি সাহায্য গোচৰত কোৰ্ট ফি ৰেহাই দিয়া হয়।)
- আইন সেৱা প্ৰাধিকৰণে নিয়োজিত কৰা উকীলে যদি কাম নকৰে বা গোচৰৰ প্ৰতি মনোযোগ নিদিয়ে, তেতিয়াহ লে এই বিষয়টোৰ প্ৰতি কৰ্তৃপ্ৰ ৰ (যদি গোচৰটো DLSAৰ হয় তেতিয়া DLSAৰ সভাপতি গৰাকীক অৰ্থাৎ জিলা ন্যায়াধীশ জনৰ) দৃষ্টি আকৰ্ষণ কৰক, আৰু সেই অযোগ্য উকীলৰ স্থানত এজন যোগ্য উকীল নিযোগ কৰাৰ অনুৰোধ কৰক।

### লোক আদালতৰ পৰা এটা অধিসূচনা আহিলে কি কৰিব ?

- আতংকিত হোৱাৰ কোনো কাৰণ নাই। আদালতৰ পৰা এখন জাননী অহাটো ভিতিবিহ্বলজনিত বিষয়, যদিও, ইয়াক নিষ্পত্তি কৰাৰ সম্ভাৱনাৰ সুযোগ বুলি ভাবক।
- নিৰ্দি৾ তাৰিখৰ দিনাখন নিজে লোক আদালতত হাজিৰ হওঁক বা উকীলক পঠাওক।
- সভাপতি আৰু বেঞ্চৰ সদস্যসকলৰ লগত প্ৰত্য ভাৱে কথা পাতক।
- গোচৰৰ বিষয়ে সবিশেষ বৃত্তা"ন্ত উল্লেখ কৰক।
- বিপ্ৰ ৰ লগত এটা বুজাপৰাত উপনীত হ বলৈ চে৾ া কৰক।
- লোক আদালতত গোচৰটোক বিচাৰ কৰোতে ন্যায়ৰ সম্ভাৰীত নীতিৰ ওপৰত (দুয়োপ্ৰ ক শুনানিৰ বাবে সমান সুবিধা, যুক্তি দৰ্শোৱাৰ অধিকাৰ ইত্যাদি দিয়া হয়) মনোনিবেশ কৰা হয়।

### ক'লৈ যাব ?

- লোক আদালতৰ বিষয়ে অধিক জানিবলৈ আৰু লোক আদালতৰ যোগেদি বিষয়বোৰক কেনেকৈ নিষ্পত্তি কৰিব এই বিষয়ে অধিক জানিবলৈ আপোনাৰ মৌজা/মহকুমা আইন সেৱা সমিতি/জিলা আইন সেৱা প্ৰাধিকৰণৰ লগত যোগাযোগ কৰক। এই প্ৰাধিকৰণবোৰ সাধাৰণতে মহকুমা আদালত/জিলা আদালতৰ পৰিসৰত থাকে।
- সহায়ৰ বাবে আপুনি কাষত থকা চিএচচি কেন্দ্ৰৰ লগত যোগাযোগ কৰক।

অধ্যায়
৩

# মহিলাসকলৰ অধিকাৰ

ভাৰতবৰ্ষত, মহিলাসকলৰ অধিকাৰৰ বিষয়বোৰক নিম্ন উল্লেখিত আইনবোৰৰ দ্বাৰা সামৰি লোৱা হৈছে ঃ

১। বশেষ আইন (উদাহৰণ— যৌতুক নিবাৰণ আইন, ৰজ্মছৰ, মহিলাসকলৰ অশোভনীয় প্ৰতিনিধিত্বমূলক (নিবাৰণী) আইন ১৯৮৬, সতী নিবাৰণ আইন আয়োগ ১৯৮৭, ঘৰুৱা হিংসাৰ পৰা মহিলাসকলৰ সুৰক্ষা আইন ২০০৫ ইত্যাদি।)

২। সাধাৰণ আইন (ভাৰতীয় দণ্ড সংহিতা, ১৮৬০, অপৰাধীক প্ৰক্ৰিয়া সংহিতা (চিআৰপিচি), ১৯৭৩।)

### পটভূমি

সকলোৱে জানে যে আমাৰ দেশত মহিলা আৰু পুৰুষসকলৰ অধিকাৰৰ মাজত বিশাল ব্যৱধান আছে। দেশত মহিলাসকলৰ সংখ্যা মুঠ জনসংখ্যাৰ আধা যদিও ভাৰতবৰ্ষত মহিলাসকলে বিভিন্ন সামাজিক অসমানতাৰ সন্মুখীন হোৱাৰ লগতে অধিক মাত্ৰাত শোষণ হোৱাৰ প্ৰৱণতা বিদ্যমান। তেওঁলোকক সুৰক্ষা প্ৰদান কৰিবলৈ বহুতো আইন আছে যদিও, তেওঁলোকৰ মাজত অধিকাংশই এইবোৰ বিধিসন্মত আৰু সাংবিধানিক অধিকাৰৰ বিষয়ে সজাগ নহয়। এই অধ্যায়ত আমি বিভিন্ন বৈধ অধিকাৰ আৰু দোষী সাব্যস্ত হ'লে শাস্তি বিধানৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

## ক. ঘৰুৱা হিংসা

### পটভূমি

ভাৰতবৰ্ষত মহিলাসকলৰ বিৰুদ্ধে ঘৰুৱা হিংসা বহুদিনৰ পৰা চলি অহা এটা ঘটনা। দুৰ্ভাগ্যৱশত, আমাৰ সমাজত মহিলাসকলৰ ওপৰত হোৱা নিৰ্যাতনক ভাগ্যৰ লিখন হিচাপে স্বীকাৰ কৰি অহা হৈছে। ইয়াৰ আটাইতকৈ ডাঙৰ কাৰণটো হৈছে তেওঁলোকৰ গিৰিয়েকৰ ওপৰত আৱেগিক আৰু আৰ্থিকভাৱে নিৰ্ভৰশীলতা। ঘৰুৱা হিংসাৰ পৰা মহিলাসকলক সুৰক্ষা প্ৰদান কৰিবলৈ, ভাৰতৰ সংসদে ঘৰুৱা হিংসাৰ পৰা মহিলাসকলৰ সুৰক্ষা আইন ২০০৫ বলবৎ কৰিছে।

### উদ্দেশ্য

এই আইনে ঘৰৰ চাৰি বেৰৰ মাজত নিজৰ গিৰিয়েক, একেলগে থকা পুৰুষ সঙ্গী বা তেওঁৰ সম্পৰ্কীয় লোকে নিৰ্যাতিত কৰা সকলো ঘৰুৱা হিংসাৰ পৰা মহিলাসকলক সুৰক্ষা প্ৰদান কৰিছে।



**ঘৰুৱা হিংসা আইনৰ অধীনত সামৰি লোৱা নিৰ্যাতনৰ প্ৰকাৰ**

- **শাৰীৰিক নিৰ্যাতন ঃ** শাৰীৰিক যাতনা, ক্ষতি, জীৱন বা অঙ্গৰ প্ৰতি বিপদজনক আচৰণ, বা আক্ৰমণৰ সমান স্বাস্থ্যৰ ক্ষতিসাধন, অপৰাধীক ভিতি প্ৰদৰ্শন আৰু অপৰাধমূলক বল প্ৰয়োগ ইত্যাদি ইয়াৰ অধীনত সামৰি লোৱা হৈছে।

- **যৌন নির্যাতন ঃ** নির্যাতন দিয়া যিকোনো যৌন প্ৰকৃতিৰ আচৰণ, লাঞ্ছিত কৰা, মহিলাৰ গৰিমাক লাঘৱ বা উলঙঘা কৰাৰ লগতে কুপিত যৌন নির্যাতন ইত্যাদি।
- **মৌখিক আৰু আৱেগিক নির্যাতন ঃ** যিকোনো ধৰণৰ তিৰস্কাৰ, উপহাসচ্ছ্ন, নিৰাদৰ, কুবচন, পতন, দোষাৰোপ কৰা, একাষৰীয়া কৰা, অপমান কৰা বা সন্তান জন্ম নিদিয়া বা ছোৱালী জন্ম দিয়াৰ বাবে ঠাট্টা কৰা, ক্ষুব্ধ ব্যক্তিৰ অনুৰাগী লোকক বাৰে বাৰে শাৰীৰিকভাৱে অপদস্থ কৰাৰ ভাবুকি দিয়া ইত্যাদি কার্য। বাহিৰলৈ ওলাই যোৱাৰ বাবে বা চাকৰি কৰাৰ বাবে গালি-শপনি দিয়া, ব্যভিচাৰ কৰিবলৈ বাধ্য কৰা, চাকৰি এৰিবলৈ বাধ্য কৰা, আত্মহত্যা কৰিবলৈ উচটনি দিয়া, যাতনা দিয়া, ইত্যাদি।
- **আর্থিক নির্যাতন ঃ** ক্ষুব্ধ ব্যক্তিয়ে কোনো আইন বা প্ৰথাৰ অধীনত পাব লগা আর্থিক বা বিত্তীয় সম্পদ বা গৃহস্থৰ প্ৰয়োজনীয়তাৰ বাবে গোটেৱা আৱশ্যক হোৱা ধনৰ পৰা বা যৌতুক, তাইৰ যুটীয়া বা পৃথককৈ থকা সম্পত্তি, ভৰণ-পোষণ বা ভাড়াৰ পৰা পোৱা ধনৰ পৰা বঞ্চিত কৰা। সাধাৰণ ভাষাত ক'বলৈ হ'লে অত্যাচাৰি সকলে নিজৰ সহযোগিক আর্থিক দিশত নিয়ন্ত্ৰণ কৰিবলৈ আর্থিক নির্যাতন দিবলৈ চেষ্টা কৰে। আন কথাত ক'বলৈ হ'লে ক্ষুব্ধ মহিলা বা শিশুৰে কোনো আইন বা প্ৰথাৰ অধীনত পাব লগা আর্থিক বা বিত্তীয় সম্পদৰ পৰা বঞ্চিত কৰা।

### কোনে অভিযোগ দাখিল কৰিব পাৰে?

- ক্ষুব্ধ ব্যক্তিয়ে (দুর্ব্যৱহাৰ পোৱা ব্যক্তি এজনে)।
- অপৰাধৰ সাক্ষী এজনে, ক্ষুব্ধ ব্যক্তিৰ সপক্ষে, এজন প্ৰতিবেশী, সম্বন্ধীয় লোক বা বিশ্বাসত লৈ তথ্য প্ৰদান কৰা বন্ধু এজনে। গুপ্তচৰৰ ওপৰত কোনো ধৰণৰ আইনী বা অপৰাধমূলক জগৰ লগোৱা নহয়।

### কাৰ লগত যোগাযোগ কৰিব?

- এজন আৰক্ষী বিষয়া
- সুৰক্ষা বিষয়া (PO)
- সেৱা প্ৰদাতা (চাৰ্ভিছ প্ৰভাইদাৰ) (SP)
- উকীল (TLSC/DLSAৰ যোগেদি)
- সুৰক্ষা বিষয়া[৫] (PO) বা সেৱা প্ৰদাতা[৬] (SP)ক ফোনৰ যোগেদি মৌখিকভাৱে বা ই-মেইলৰ মাৰ্ফৎ লিখি এটা অভিযোগ দাখিল কৰিব পাৰি। কাষত থকা থানাটো এটা অভিযোগ দাখিল কৰিব পাৰি। (থানাত বিশেষ মহিলা শাখা/মহিলা পুলিচ হেল্পলাইন থাকে।)

### ডি.আই.পি.আৰ. (ঘৰুৱা ঘটনাৰ প্ৰতিবেদন) মানে কি?

এটা ঘৰুৱা ঘটনাৰ প্ৰতিবেদন (DIR) হৈছে আনুষ্ঠানিক বিন্যাস য'ত অভিযোগ পঞ্জীয়ন কৰিব পাৰি। এইটো এটা তেনেই সামান্য বিন্যাস, যিটো অধিনিয়মৰ আইনত প্ৰ-পত্ৰ-১ উপলব্ধ। এগৰাকী মহিলাই এই প্ৰপত্ৰ আৰক্ষী থানা, সুৰক্ষা বিষয়া, সেৱা প্ৰদাতাৰ পৰা লৈ নিজে পূৰণ কৰিব পাৰে। যদি কোনো মহিলাই নিজে প্ৰপত্ৰ পূৰণ কৰিব নোৱাৰিলে সুৰক্ষা বিষয়া, সেৱা প্ৰদাতা বা আৰক্ষীয়ে তাইৰ লিখিত অভিযোগ পত্ৰক ১ লৈ পৰিণত কৰি ডিআইআৰ হিচাপে প্ৰস্তুত কৰিব আৰু ইয়াত থকা কথাখিনিক তাইৰ আগত ব্যাখ্যা কৰিব। তাৰ পিছত সুৰক্ষা বিষয়া, সেৱা প্ৰদাতা বা আৰক্ষীয়ে দণ্ডাধীশ/আদালতলৈ অভিযোগ (ডি.আই.আৰ.) প্ৰেৰণ কৰিব।



---

[8]Subject to contemptuous and dismissive language or behavior

এজন সুৰক্ষা বিষয়াপ্ত (PO)প্ত হৈছে ন্যায়ালয়ৰ এজন সহকাৰী বিষয়া যিয়ে এজনী মহিলাক অভিযোগ কৰিবলৈ, যাৱতীয় আদেশৰ বাবে দণ্ডাধিকাৰীক আৱেদন দাখিল কৰিবলৈ, তাইক স্বাস্থ্য সেৱা লাভ কৰিবলৈ, পৰামৰ্শ ইত্যাদি লাভ কৰিবলৈ আৰু ন্যায়ালয়ৰ দ্বাৰা দিয়া আদেশক নিশ্চিতভাৱে কাৰ্যকৰী কৰাবলৈ (ধাৰা ৯ আৰু আইন ৯, ১০) সহায় কৰে।

[৬]সেৱা প্ৰদাতা হৈছে ৰাজ্য চৰকাৰৰ লগত পঞ্জীকৃত এটা বেচৰকাৰী সংগঠন বা অন্য স্বেচ্ছাসেৱী সংগঠন। তেওঁলোকে ঘৰুৱা হিংসাৰ সন্মুখীন হোৱা মহিলাসকলক সহায় কৰে। মহিলা এগৰাকীয়ে আইনৰ অধীনত এটা পঞ্জীকৃত সেৱা প্ৰদাতাৰ কাষলৈ অভিযোগ দাখিল কৰিবলৈ যাব পাৰে। এটা সেৱা প্ৰদাতা প্ৰতিষ্ঠানে মহিলা গৰাকীক আইনী সাহায্য, স্বাস্থ্য সেৱা, পৰামৰ্শ বা যি কোনো ধৰণৰ সহায় কৰিব পাৰে। (ধাৰা-১০)

### দণ্ডাধীশৰ আদালতত ডিআইআৰ দাখিল কৰাৰ পিছত কি হ'ব?

যদি দণ্ডাধীশ মহোদয়ে আবেদনখনত উল্লেখিত অভিযোগৰ ওপৰত সন্তুষ্ট হয় যে (প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষা-নিৰীক্ষাত প্ৰমাণিত হয়, এটা গোচৰৰ সপক্ষে পৰ্যাপ্ত প্ৰমাণৰ পুষ্টি হয়) প্ৰতিবাদীজনে অপৰাধ কৰিছে বা ঘৰুৱা হিংসাৰ অপৰাধ কৰিছে বা এই ধৰণৰ হিংসা কৰাৰ সম্ভাৱনা আছে, তেতিয়া হ'লে তেওঁ ভুক্ত ব্যক্তিয়ে দাখিল কৰা শপতনামাৰ আধাৰত বা গোচৰৰ পৰিস্থিতিলৈ চাই প্ৰতিবাদীৰ বিৰুদ্ধে নিম্নলিখিত আদেশ জাৰি কৰিব পাৰে।

- সুৰক্ষাৰ আদেশ
- আবাসৰ আদেশ
- আৰ্থিক সকাহ
- জিম্মাৰ আদেশ
- ক্ষতিপূৰণৰ আদেশ
- মধ্যৱৰ্তীকালিন আদেশ আৰু
- একপক্ষীয় আদেশ

### ক'লৈ যাব?

- আপুনি জিলাৰ সুৱ্ৰা বিষয়াক লগ কৰক (আপোনাৰ জিলা কাৰ্যালয়ত সুৱ্ৰা বিষয়াৰ তালিকা পাব) বা জিলা আইন সেৱা প্ৰাধিকৰণ বা সেৱা প্ৰদাতাৰ লগত যোগাযোগ কৰক (একমাত্ৰ পঞ্জীকৃত বেচৰকাৰী সংগঠন), আপুনি পঞ্জীকৃত সেৱা প্ৰদাতাৰ তালিকা জিলা কাৰ্যালয় বা এটা সমুদায় আধাৰিত সংগঠন (চিবিঅ) বা সংশ্লিষ্ট বিষয়াৰ পৰা পাব।
- সাহায্যৰ বাবে কাষৰ চিএচচিৰ লগতো যোগাযোগ কৰিব পাৰে।

## খ. ভাৰতীয় দণ্ড সংহিতা (IPC)

### পটভূমি

ভাৰতীয় দণ্ড সংহিতা হৈছে, অপৰাধীক আইন, য'ত প্ৰায় সকলো অপৰাধ আৰু ইয়াৰ শাস্তিক সামৰি লোৱা হৈছে।

ভাৰতীয় দণ্ড সংহিতাই, বুনিয়াদী আকাৰত, এজন ব্যক্তিয়ে কৰা সকলো ধৰণৰ অপৰাধৰ গোচৰ আৰু তাৰ শাস্তিবোৰক তালিকাভুক্ত কৰিছে। ইয়াৰ দ্বাৰা সকলো ভাৰতীয় নাগৰিক বা ভাৰতীয় মূলৰ ব্যক্তিসকলক সামৰি লোৱা হৈছে।

### উদ্দেশ্য

এই আইন বা দণ্ডৰ উদ্দেশ্য হৈছে দেশৰ অপৰাধমূলক কাৰ্যকলাপবোৰক শাস্তিৰ যোগেদি নিয়ন্ত্ৰিত কৰা।

**ভাৰতীয় দণ্ড সংহিতা, ৰজ্জুছত্ত্ব অধীনত সামৰি লোৱা গুৰুত্বপূৰ্ণ অপৰাধবোৰক তলত উল্লেখ কৰা হৈছে ঃ**

| | অপৰাধ | শাস্তি |
|---|---|---|
| 354 A | **যৌন যাতনা**<br>১। শাৰীৰিক সম্পৰ্ক আৰু আবাঞ্চিত অগ্ৰগতি আৰু স্পষ্ট যৌন প্ৰস্তাৱ।<br>২। যৌন অনুগ্ৰহৰ বাবে কৰা দাবী বা অনুৰোধ।<br>৩। যৌন সম্পৰ্কীয় মন্তব্য কৰা।<br>৪। মহিলাৰ ইচ্ছাৰ বিৰুদ্ধে কামোদ্দিপক চিত্ৰ বা সাহিত্য প্ৰদৰ্শন কৰা।<br>৫। আন কোনো ধৰণৰ যৌন প্ৰকৃতিৰ অবাঞ্চিত শাৰীৰিক, মৌখিক বা অনা মৌখিক আচৰণ। | ১, ২ আৰু ৩ নম্বৰৰ গোচৰত ৩ বছৰলৈকে কাৰাবাস বা জৰিমনা বা দুয়োটা।<br>বাকী গোচৰত জৰিমনাৰ সৈতে সৰ্বাধিক এবছৰৰ কাৰাবাস বা দুয়োবিধ শাস্তিৰ বিধান। |
| 375,376 | **ধৰ্ষণ**<br>এইটো হৈছে মহিলাৰ বিৰুদ্ধে কৰা আটাইতকৈ জঘন্য অপৰাধ য'ত পুৰুষ এজনে মহিলা গৰাকীক মহিলাৰ ইচ্ছাৰ বিৰুদ্ধে বা অনুমতি অবিহনে (যৌন সম্ভোগ বা অন্য ৰূপত যৌন প্ৰৱেশ ঘটায়) ধৰ্ষণ কৰে। | জৰিমনাৰ সৈতে ১০ বছৰৰ কাৰাবাস বা আজীৱন কাৰাবাসৰ শাস্তি। |

| | | |
|---|---|---|
| 370 | **ব্যক্তিৰ সৰবৰাহ**<br>এজন ব্যক্তি বা ব্যক্তিৰ সমূহক ভাবুকি, বল প্ৰয়োগ, প্ৰতাৰণা বা আন যিকোনো অবৈধ উপায়েৰে হস্তান্তৰ, মকৰল, আশ্ৰয় বা গ্ৰহণ কৰাতো হৈছে সৰবৰাহৰ অপৰাধ।<br><br>সৰবৰাহৰ অপৰাধক নিৰূপণ কৰিবলৈ পীড়িত ব্যক্তিৰ অনুমতি গুৰুত্বহীন। | দোষী সাব্যস্ত হোৱা ব্যক্তিক কঠোৰ কাৰাবাসৰ শাস্তি বিহা হয়, য'ত কমেও দহ বছৰৰ কাৰাবাস আৰু ইয়াক আজীৱন কাৰাবাসলৈ পৰ্যবসিত কৰিব পৰা যায় আৰু জৰিমনাও বিহা হয়। |
| 351,352 | **আক্ৰমণ বা লাঞ্ছনা**<br>কোনো ব্যক্তিয়ে যদি কোনো ধৰণৰ আভাস সংকেত বা ভঙ্গিমা কৰে, বা এইধৰণৰ ভংগিমা বা প্ৰস্তুতিয়ে তাত উপস্থিত থকা যিকোনো ব্যক্তিয়ে এই ধৰণৰ প্ৰস্তুতি বা ভংগিমা সেই ব্যক্তিৰ ওপৰত অপৰাধীক বল প্ৰয়োগ কৰাৰ বাবে তাক কৰায়ত্ত বা ধৰিব পাৰে বুলি ইচ্ছা কৰি বা জানিশুনি কৰা অপৰাধক আক্ৰমণ বা লাঞ্ছনা বুলি কোৱা হয়। | এই অপৰাধৰ বাবে জৰিমনাৰ সৈতে তিনিমাহলৈকে দৃষ্টান্তমূলক শাস্তি, বা জৰিমনাৰ পৰিমানক পাঁচশ টকালৈকে বৃদ্ধি কৰাৰ বা দুয়োটা শাস্তি হ'ব পাৰে। |
| 312 | **গৰ্ভপাতৰ কাৰণ**<br>যদি এগৰাকী মহিলাক এটি সন্তানক গৰ্ভপাত কৰাবলৈ বল প্ৰয়োগ কৰা হয়, মহিলাৰ জীৱনক বচোৱাৰ উদ্দেশ্যে নকৰা কামটো এই ধাৰাৰ অধীনত শাস্তিৰ যোগ্য এটা অপৰাধ। | তাৰ বাবে জৰিমনাৰ সৈতে ১০ বছৰ বা আজীৱন কাৰাবাসৰ শাস্তিৰ বিধান আছে। |

**ক'লৈ যাব?**

- আপুনি কাষত থকা থানাত প্ৰত্যক্ষভাৱে এফআইআৰ / অভিযোগ ৰুজু কৰিব পাৰে।
- যদি আপুনি বিনামূলীয়া আইন সাহায্য পোৱাৰ যোগ্য তেতিয়া মহকুমা আইন সেৱা সমিতি / জিলা আইন সেৱা প্ৰাধিকৰণ কাৰ্যালয়ৰ পৰা বিনামূলীয়া নীতিগত পৰামৰ্শ / প্ৰতিনিধি বিচাৰিব পাৰে।
- স্থানীয় বেচৰকাৰী সংগঠন / চিবিঅৰ লগত যোগাযোগ কৰক।
- সহায়ৰ বাবে কাষত থকা চিএচচিৰ লগতো যোগাযোগ কৰিব পাৰে।

## গ. মহিলাসকলক গ্ৰেপ্তাৰ কৰাৰ বিশেষ ব্যৱস্থা

**মহিলাসকলক কেতিয়া গ্ৰেপ্তাৰ কৰিব পাৰি তাৰ ব্যৱস্থা ঃ**

- একমাত্ৰ এগৰাকী মহিলা আৰক্ষী বিষয়াৰ উপস্থিতি আৰু দ্বাৰাহে এগৰাকী মহিলাক আটক কৰিব পাৰিব।
- দণ্ডাধীশৰ আগতীয়া অনুমতি অবিহনে এগৰাকী মহিলাক সূৰ্য উদয় হোৱাৰ আগত আৰু সূৰ্যাস্তৰ পিছত গ্ৰেপ্তাৰ কৰিব নোৱাৰি।
- এগৰাকী গৰ্ভৱতী মহিলাক গ্ৰেপ্তাৰ কৰাৰ সময়ত শাৰীৰিকভাৱে বাধ্য কৰিব নোৱাৰিব কাৰণ নজন্মাৰ নিৰাপত্তাক প্ৰাথমিকাত দিয়া হয়।
- গ্ৰেপ্তাৰ কৰা এগৰাকী মহিলাক পুৰুষৰ ল'কাপৰ পৰা পৃথককৈ ৰাখিব লাগিব।
- অপৰাধ প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬০ৰ অধীনত মহিলাক জেৰা কৰিবলৈ থানাত মাতিব নোৱাৰি। আৰক্ষীয়ে এগৰাকী মহিলাক তেওঁৰ বাস ভৱনত এগৰাকী মহিলা কনিষ্টবল আৰু তেওঁৰ পৰিয়ালৰ সদস্য বা বন্ধুৰ উপস্থিতিত জেৰা কৰিব পাৰিব।
- মহিলা এগৰাকীয়ে জামিন বিহীন অপৰাধ কৰিলেও বা মৃত্যুদণ্ডৰ শাস্তি পাবলৈ অপেক্ষাৰত হ'লেও ন্যায়ালয়ে মহিলাক জামিন প্ৰদান কৰিব পাৰে।

**ক'লৈ যাব?**

- এই বিষয়ে অধিক জানিবলৈ, আপুনি মহিলাসকলৰ অধিকাৰৰ ওপৰত কাম কৰা যিকোনো বেচৰকাৰী সংগঠন (এনজিঅ'), যিকোনো চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰি।
- সহায়ৰ বাবে কাষৰ চিএচচি লগত যোগাযোগ কৰক।

অধ্যায় ৪

# অপৰাধ প্ৰক্ৰিয়া সংহিতা

## পটভূমি


সম্প্ৰদায়সমূহৰ বিৰুদ্ধে কৰা অপৰাধৰ সংজ্ঞাক ব্যাখ্যা কৰা নিয়ম আৰু বিধিবদ্ধ আইনক ফৌজদাৰী আইন বুলি কোৱা হয়। যিকোনো ফৌজদাৰী প্ৰক্ৰিয়াৰ পিছত আইনসন্মত প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰিবলৈ, আমাৰ দেশত সংবিধান, প্ৰশাসনিক আৰু ন্যায়িক গাঠনিৰ প্ৰচলন বিদ্যমান। ই অভিযুক্ত এজনক নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ সুবিধা দিয়ে। ভাৰতবৰ্ষত, বৈধ কাৰ্যাৱলীসমূহ অপৰাধ প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত সম্পাদন কৰা হয়। আমাৰ দেশৰ সৰ্বসাধাৰণ ৰাইজে এই ধৰণৰ পৰিস্থিতিত প্ৰচলিত আইনৰ বিষয়ে অনভিজ্ঞ আৰু ক'ত আপীল কৰিব লাগে এই বিষয়ে নজনাৰ ফলত ক্ৰমাগত সমস্যা আৰু মানসিক যন্ত্ৰণাত ভুগিব লগা হয়।

## ক. এফ.আই.আৰ. (প্ৰথম তথ্যৰ সূচনা, এজাহাৰ) মানে কি ?

এফ.আই.আৰ.ৰ অৰ্থ হৈছে প্ৰথম তথ্যৰ সূচনা, আদালতত গ্ৰহণযোগ্য অপৰাধৰ ভুক্তভোগীৰ দ্বাৰা বা তেওঁৰ বা তাইৰ সপক্ষে আন কাৰোবাৰ দ্বাৰা আৰক্ষীক ৰুজু কৰা এটা অভিযোগ যাক স্থানীয় ভাষাত এজাহাৰ বুলিও কোৱা হয়। ফৌজদাৰী কাৰ্যবিধি সংহিতা, ১৯৭৩ৰ ১৫৪ ধাৰাৰ অধীনত এফ.আই.আৰ অৰ্থাৎ এজাহাৰ ৰুজু কৰা হয়। ফৌজদাৰী কাৰ্যবিধি সংহিতাৰ অধীনত নাগৰিকসকলে নিজৰ আশে-পাশে হোৱা অপৰাধৰ বিষয়ে কাষত থকা স্থানীয় আৰক্ষী চকীত জনোৱাতো তেওঁলোকৰ নৈতিক কৰ্ত্তব্য। আৰক্ষীয়ে নিজাববীয়াকৈ / ৰাইজ / ব্যক্তিৰ পৰা তথ্য বা সম্ভেদ পোৱাৰ পিছত একমাত্ৰ আদালতত গ্ৰহণযোগ্য গোচৰৰ ওপৰতহে এফ.আই.আৰ বা এজাহাৰ ৰুজু কৰিব পাৰে। এফ.আই.আৰ. হৈছে যিকোনো তদন্তৰ দিশত প্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ আৰু এটা গুৰুত্বপূৰ্ণ পৰ্যায়।

### কোনে এফ.আই.আৰ. ৰুজু কৰিব পাৰে ?

- হস্তক্ষেপযোগ্য অপৰাধৰ[১] বিষয়ে (গুৰুতৰ অপৰাধ / বিষম অপৰাধ) জনা যিকোনো ব্যক্তি, সেই অপৰাধৰ ভুক্তভোগী বা ঘটনাক নিজ চকুৰে দেখা সাক্ষী এজনে।
- আৰক্ষী বিষয়াই যদি অপৰাধৰ বিষয়ে জানে তেওঁ নিজেও এফ.আই.আৰ. ৰুজু কৰিব পাৰে।




### এফ.আই.আৰ. দাখিল কৰাৰ প্ৰক্ৰিয়া আৰু অন্যান্য সম্পৰ্কীয় সবিশেষ

- মৌখিকভাৱে এজন আৰক্ষী বিষয়াৰ ওচৰত এফ.আই.আৰ ৰুজু কৰিব পাৰি আৰু এফ.আই.আৰ পঞ্জীয়ন কৰিবলৈ আৰক্ষীয়ে অস্বীকাৰ কৰিব নোৱাৰে।

---

[১] আদালতত গ্ৰহণযোগ্য অপৰাধ মানে হৈছে এজন আৰক্ষী বিষয়াই কোনো ধৰণৰ গ্ৰেপ্তাৰী পৰোৱানা বা ন্যায়ালয়ৰ আগতীয়া অনুমতি নোহোৱাকৈ গ্ৰেপ্তাৰ কৰিব পৰা কৰ্তৃত্ব আছে। ই এটা গুৰুতৰ অপৰাধ।

- আৰক্ষী বিষয়াই এবাৰ এফ.আই.আৰৰ সবিশেষ লিপিবদ্ধ কৰাৰ পিছত, সেই ব্যক্তিক এবাৰ পঢ়ি শুনোৱাটো তেওঁৰ দায়িত্ব, যাতে তেওঁলোকে কোৱা মতে সকলোখিনি তথ্য সন্নিৱিষ্ট কৰা হৈছে বুলি নিশ্চিত হ'ব পাৰে।
- সকলো কথাখিনিক এফ.আই.আৰত সন্নিৱিষ্ট কৰা হৈছে বুলি এবাৰ সন্তুষ্ট হোৱাৰ পিছত ইয়াত চহী / আঙুঠাৰ ছাপ দিব লাগে।
- মৌখিকভাৱে এজাহাৰ দিয়া ব্যক্তিজনে লিখিত মন্তব্যখিনিক নিশ্চিত কৰাৰ পিছতহে টিপ চহী দিব লাগে।
- দূৰ-সংযোগৰ যোগেদি প্ৰদান কৰা বিবৃতিখিনিকো এফ.আই.আৰ বুলি বিবেচনা কৰা হয়।
- এফ.আই.আৰ এবাৰ নথিভুক্ত, চহী আৰু পঞ্জীকৃত হোৱাৰ পিছত এফ.আই.আৰৰ এটা প্ৰতিলিপি ব্যক্তিক দিয়াটো বাধ্যতামূলক। অভিযোগকাৰীক বিনামূলীয়াকৈ এফ.আই.আৰৰ প্ৰতিলিপি দিয়া হয়। যিহেতু এটা ফৌজদাৰী গোচৰ তৰা হৈছে গতিকে ই আৰক্ষীক তদন্তৰ প্ৰক্ৰিয়াক খৰতকীয়া কৰিবলৈ হেঁচা প্ৰয়োগ কৰিব।

### যদি আৰক্ষীয়ে এফ.আই.আৰ. ৰুজু কৰিবলৈ অস্বীকাৰ কৰে

- আপুনি ওপৰ মহলত যেনে আৰক্ষী অধীক্ষক (এচপি), উপ মহাপৰিদৰ্শক (ডিআইজি) আৰক্ষী মহাপৰিদৰ্শক (আইজি)ৰ ওচৰত এটা অভিযোগ কৰিব পাৰে।
- আপুনি নিজৰ লিখিত অভিযোগ পঞ্জীকৃত ডাকৰ যোগেদিও আৰক্ষী অধীক্ষকলৈ পঠাব পাৰে। যদি অভিযোগ গুৰুতৰ ধৰণৰ হয় তেতিয়া আৰক্ষী অধীক্ষকে নিজে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বা বিভাগৰ কাৰোবাক অভিযোগৰ ওপৰত তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক'ব।
- আপুনি লগতে কাষত থকা ন্যায়িক দণ্ডাধীশৰ কাষত লিখিত অভিযোগ পঞ্জীয়ন কৰিব পাৰে।
- আপুনি লগতে ৰাজ্যিক মানৱ অধিকাৰ আয়োগ বা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগলৈ লিখিত অভিযোগ পঠাব পাৰে।

#### অপৰাধ

আনৰ অধিকাৰ ভংগ কৰা যিকোনো কাৰ্য বা আনৰ ক্ষতি সাধন কৰা কাৰ্য আৰু বিশদভাৱে সমাজক প্ৰভাৱিত কৰা কাৰ্যক সংশ্লিষ্ট আইনৰ অধীনত অপৰাধ বুলি গণ্য কৰা হয়।

এটা অপৰাধক জামিনযোগ্য আৰু জামিনৰ অযোগ্য ভাগত বিভক্ত কৰিব পাৰি। জামিন পাবলৈ হ'লে অভিযুক্তই এটা ন্যায়ালয়ৰ পৰা লিখিত অনুমতি পাব লাগিব।

## খ. জামিন

এটা ফৌজদাৰী অপৰাধত অভিযুক্ত ব্যক্তি এজনক কেতবোৰ চৰ্তৰ অধীনত কাৰাগাৰৰ পৰা বা জেল হাজোতৰ পৰা মুকলি কৰি দিবলৈ দিয়া অনুমতিক জামিন বুলি কোৱা হয়। অৱশ্যে, জামিন লাভ কৰিবলৈ, অভিযুক্ত এজনে যেতিয়াই পুলিচ বা ন্যায়ালয়ত প্ৰয়োজন হ'ব তেতিয়াই উপস্থিত হোৱাৰ আশ্বাস দি অংগীকাৰ দিব লগা হয়। জামিনে অভিযুক্তক অকল অস্থায়ী স্বাধীনতাহে প্ৰদান কৰে।

### কোনে জামিন প্ৰদান কৰে?

ন্যায়ালয়ে অপৰাধৰ প্ৰকৃতি আৰু গুৰুত্বক বিবেচনা কৰাৰ পিছত, অভিযুক্ত এজনক জামিন প্ৰদান কৰা হয়। ন্যায়ালয়ে লগতে অভিযুক্তক মুকলি কৰি দিয়াৰ পিছত আগলৈ অপৰাধ কৰাৰ সম্ভাৱনা আৰু তথাকথিত ভুক্তভোগীৰ সুৰক্ষাৰ বিষয়েও পৰ্যবেক্ষণ কৰে। কেতবোৰ অপৰাধৰ বাবে জামিন প্ৰদান কৰা হয় যাক জামিনযোগ্য অপৰাধ বুলি কোৱা হয়।

### জামিনৰ যোগ্য অপৰাধ

জামিনযোগ্য অপৰাধবোৰ হৈছে তুলনামূলকভাৱে কম গুৰুতৰ প্ৰকৃতিৰ গতিকে ন্যায়ালয়ে কেতবোৰ চৰ্ত সাপেক্ষে অভিযুক্তক অস্থায়ীভাৱে জামিনত মুকলি কৰি দিয়ে। এই ধৰণৰ অপৰাধবোৰৰ ভিতৰত আছে ঘোচ দিয়া, চৰকাৰী কৰ্মচাৰী এজনক নিজৰ দায়িত্ব পালনত হকাবধা দিয়া, ভুৱা সাক্ষী দিয়া ইত্যাদি। জামিনৰ যোগ্য অপৰাধত এজন অভিযুক্তক জামিন প্ৰদান কৰোঁতে আৰোপ কৰা কেতবোৰ চৰ্ত হ'ল ঃ

- নিৰ্দিষ্ট স্থানত বা বিশেষ ঠিকনাত বসবাস কৰাত নিয়ন্ত্ৰণ, নিৰ্দিষ্ট স্থানৰ বাহিৰলৈ যাত্ৰা কৰাত নিষেধাজ্ঞা।
- সদায় বা এটা নিৰ্দিষ্ট সময়ত আৰক্ষীৰ ওচৰত হাজিৰ হোৱা।
- তথাকথিত ভুক্তভোগী বা প্ৰত্যক্ষদৰ্শীৰ লগত যোগাযোগ কৰিবলৈ হাক দিয়া।
- প্ৰমাণ বিনষ্ট কৰাক নিষিদ্ধ কৰা।

### জামিন বিহীন অপৰাধ

জামিন বিহীন অপৰাধ হৈছে গুৰুতৰ অপৰাধ, গতিকে তাৰ কাৰণে অভিযুক্তই জামিনত মুকলি কৰিবলৈ অধিকাৰ হিচাপে দাবী কৰিব নোৱাৰে।

এইবোৰত আছে ব্যক্তিক ভুৱা সাক্ষী দিয়াৰ ভাবুকি, হত্যা, গণ্ডগোল কৰিবলৈ উচতনি দিয়া ইত্যাদি। যদি ব্যক্তি এজনৰ বিৰুদ্ধে জামিন বিহীন অভিযোগ লগোৱা হৈছে, তেতিয়াহ'লে জামিন দিয়া বা নিদিয়াটো ন্যায়ালয়ৰ বিচাৰ্যৰ বিষয়।

### জামিনৰ প্ৰক্ৰিয়া

জামিনৰ বাবে অভিযুক্তই আদালতত আবেদন কৰিব লাগে। আবেদন নিজে বা উকীলৰ যোগেদি দাখিল কৰিব লাগে।

## গ. গ্ৰেপ্তাৰ

গ্ৰেপ্তাৰ মানে হৈছে এটা ফৌজদাৰী অপৰাধৰ বাবে আৰক্ষীৰ দ্বাৰা জিম্মাত ৰখা আৰু তেওঁক / তাইক এটা বিশেষ ঘৰত থাকিবলৈ বাধ্য কৰা। ফৌজদাৰী আৰু দেৱানী দুয়োটা অভিযোগত গ্ৰেপ্তাৰ কৰিব পাৰে।

গ্ৰেপ্তাৰ হোৱা লোকৰ নিম্নলিখিত অধিকাৰ আছে ঃ

- গ্ৰেপ্তাৰ কৰাৰ কাৰণ জনাৰ অধিকাৰ
- জামিনত মুকলি কৰি দিয়াৰ অধিকাৰৰ বিষয়ে জনাৰ অধিকাৰ
- এজন চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱাৰ অধিকাৰ
- নিৰৱে থকাৰ অধিকাৰ
- পলম নকৰাকৈ এজন দণ্ডাধীশৰ ওচৰত হাজিৰ কৰোৱাৰ অধিকাৰ
- ন্যায়িক তদন্ত নোহোৱাকৈ ২৪ ঘণ্টাৰ অধিক হাজোতত আটক কৰি ৰাখিব নোৱাৰাৰ অধিকাৰ। এজন উকীলৰ লগত পৰামৰ্শ কৰাৰ অধিকাৰ।
- বিনামূলীয়া আইন সেৱা সহায়ৰ অধিকাৰ
- অভিযুক্তৰ সাক্ষী / প্ৰমাণ দিব পৰাৰ অধিকাৰ

### গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া

এজন আৰক্ষী বা এজন দণ্ডাধীশে (অপৰাধী জন যদি পলাই ফুৰিছে আৰু এতিয়ালৈকে আৰক্ষীয়ে বা কৰ্তৃত্বশীল ব্যক্তিয়ে ধৰিব পৰা নাই তেতিয়া) সেই অপৰাধীক গ্ৰেপ্তাৰ কৰিব পাৰে। আৰক্ষী বিষয়াই গ্ৰেপ্তাৰ কৰা ব্যক্তিক অপৰাধৰ সবিশেষ জনোৱাটো উচিত। অৱশ্যে তেওঁৰ বা তাইৰ অপৰাধৰ সবিশেষ তথ্যই জামিনৰ অধিকাৰ দিব বা নোকোৱাকৈও থাকিব পাৰে।

অধ্যায় ৫

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯

## পটভূমি

শিক্ষাৰ অধিকাৰ আইনক (আৰ.টি.ই.) ২০০৯ চনৰ আগষ্ট মাহৰ ৪ তাৰিখৰ পৰা বলবৎ কৰা হৈছে। এই অধিকাৰে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ (ইয়াৰ অৰ্থ হৈছে প্ৰথম মানৰ পৰা অষ্টম মানলৈকে) অধিকাৰ সুনিশ্চিত কৰিছে। দুখীয়া আৰু বঞ্চিত শিশুসকলৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

## উদ্দেশ্য

- চুবুৰীত থকা বিদ্যালয়ত ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলৰ বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ অধিকাৰ আছে।
- প্ৰথামিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো শিশুক একেটা শ্ৰেণীত ৰখাই থ'ব, বহিষ্কাৰ কৰিব নোৱাৰিব আৰু উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন নাই।
- এই আইনক কাৰ্যকৰী কৰাৰ পাঁচ বছৰৰ ভিতৰত পঢ়াশালিৰ শিক্ষক/শিক্ষয়িত্ৰী গৰাকীৰ পৰ্যাপ্ত বৃত্তিমূলক ডিগ্ৰী থাকিব লাগিব অন্যথা চাকৰি যাব।
- সকলো বিদ্যালয়ে উক্ত অধীনিয়মত সন্নিৱিষ্ট কৰা নিয়ম-নীতিক মানি চলিব লাগিব, তাকে কৰিবলৈ বিফল হ'লে বিদ্যালয়খনক কাম কৰিবলৈ অনুমতি দিয়া নহ'ব। এই আইনৰ অধীনত থকা সকলো চৰ্ত্তবোৰক পূৰণ কৰিবলৈ বিদ্যালয়সমূহক তিনি বছৰৰ বাবে স্থগিত কৰি ৰখা হ'ব।
- এই আইনত থকা ব্যৱস্থাপনাক কাৰ্যকৰী কৰিবলৈ পৰ্যাপ্ত মাত্ৰাত পুঁজি প্ৰদান কৰাটো কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰে সমবৰ্তী দায়িত্ব।




## শিক্ষাৰ অধিকাৰ আইনৰ নীৰৱ বৈশিষ্টসমূহ হৈছে

এই আইন চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় উভয়তে প্ৰযোজ্য।

- ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে এটা অনিয়মিত বাচনি প্ৰক্ৰিয়াৰ যোগেদি এটা শ্ৰেণীত থকা মুঠ ছাত্ৰ-ছাত্ৰীৰ ২৫% সমাজৰ দুখীয়া আৰু বঞ্চিত শ্ৰেণীৰ পৰা পঞ্জীয়ন কৰিব লাগিব। এইসকল শিশুৰ শিক্ষাৰ খৰচ চৰকাৰে বহন কৰিব।
- ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত এটাও আৰক্ষীত আসন খালী ৰাখিব নোৱাৰিব তথা সিহঁতক অন্যান্য শিশুৰ দৰেই ব্যৱহাৰ কৰা হ'ব।
- সকলো ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে স্বীকৃতিৰ বাবে আবেদন কৰিব লাগিব, অন্যথা সিহঁতক দণ্ডিত কৰা হ'ব।
- কোনো ধৰণৰ দান-বৰঙণি বা কেপিটেচনৰ অনুমতি দিয়া নহ'ব। কোনো শিশু বা অভিভাৱকৰ সাক্ষাৎকাৰ ল'ব নোৱাৰিব।
- প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো শিশুক অনুতীৰ্ণ, বহিষ্কাৰ কৰিব নোৱাৰিব বা বোৰ্ডৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন নহ'ব।
- যিকোনো শিশুৰ ওপৰত শাৰীৰিক শাস্তি বা মানসিক নিৰ্যাতনক কঠোৰতাৰে নিষিদ্ধ কৰা হৈছে।

- এই আইনে বছৰৰ যিকোনো সময়ত শিশুসকলক বিদ্যালয়ত পঞ্জীয়ন কৰাৰ অধিকাৰ প্ৰদান কৰিছে। ই লগতে এখন বিদ্যালয়ৰ পৰা আন এখন বিদ্যালয়লৈ স্থানান্তকৰণ কৰাৰ আৰু লগতে আন এখন বিদ্যালয়ত ভৰ্ত্তি হ'বৰ বাবে শিশুক তৎক্ষণাত স্থানান্তকৰণ প্ৰমাণ পত্ৰ জাৰি কৰাৰ অধিকাৰ প্ৰদান কৰিছে। তাৰ কাৰণে আন কোনো তথ্যৰ প্ৰয়োজন নহ'ব।
- সকলো বিদ্যালয় সমূহক ৭৫ % মাক-বাপেক/অভিভাৱকৰ দ্বাৰা গঠিত বিদ্যালয় পৰিচালনা সমিতিয়ে পৰিচালনা কৰিব।

**কলৈ যাব ?**

- বিদ্যালয় পৰিচালনা সমিতিলৈ (এচ.এম.চি.)
- স্থানীয় নিকায় (যেনে গাঁও পঞ্চায়ত, পৌৰনিগম ইত্যাদি) বা প্ৰতিখন ৰাজ্যত শিক্ষাৰ অধিকাৰ আইনৰ অধীনত অভিযোগ নিবাৰণ কৰিব পৰা যিকোনো কৰ্তৃপক্ষৰ ওচৰলৈ।
- এচ.চি.পি.চি.আৰ. (ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগ।)
- এন.চি.পি.চি.আৰ. (ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ।)
- সহায়ৰ বাবে CSCৰ কাষলৈও যাব পাৰি।

অধ্যায়
৬

# খাদ্য সুৰক্ষা আইন, ২০১৩

### পটভূমি

যোৱা কিছু দশকত ভাৰতবৰ্ষই লাভ কৰা উচ্চ আৰ্থিক বিকাশৰ গতি ৰাইজৰ স্বাস্থ্যৰ দিশত উচিতভাৱে প্ৰতিফলিত হ'ব পৰা নাছিল, যাৰ ফলত দেশৰ মুঠ জনসংখ্যাৰ ২২% লোক পুষ্টিহীনতাতজ্জ্ব ভুগিছে। ভাৰতবৰ্ষৰ এটা বৃহৎ পৰিমাণৰ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে, যি সকলে দিনত দুবেলা দুমুঠি পুষ্টিকৰ আৰু পৰ্যাপ্ত আহাৰ খাবলৈ নাপায়। গতিকে এই সমস্যাক আঁতৰ কৰিবলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অধিনিয়ম, ২০১৩% গৃহীত কৰা হৈছে।

### উদ্দেশ্য

এই আইনৰ উদ্দেশ্য হৈছে ৰাইজক মৰ্যাদা সহকাৰে জীয়াই থাকিব পৰাকৈ কম খৰচত পৰ্যাপ্ত পৰিমাণৰ আহাৰ আৰু পৰ্যাপ্ত গুণগত মানদণ্ডৰ আহাৰ যোগান ধৰাক সুনিশ্চিত কৰা।

### এই আইনৰ বিষয়ে দু-আষাৰ

ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে ভোক আৰু পুষ্টিহীনতাৰ সমিধান দিছে। ইয়াৰ উদ্দেশ্য হৈছে ২০১১ চনৰ লোকপিয়ল অনুসৰি গ্ৰামীণ অঞ্চলত বসবাস কৰা ৭৫% আৰু চহৰ অঞ্চলত বসবাস কৰা ৫০% জনসংখ্যাক ৰেহাই মূল্যত খাদ্য শস্য প্ৰদান কৰা। খাদ্য সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্য এই আইনৰ অধীনত কেবাটাও বৰ্ত্তি থকা তথা নতুন আইনক একেলগে সামৰি লোৱা হৈছে।

## উপকাৰিতা

### ক. TPDSৰ অধীনত ৰেহাই মূল্য তথা ইয়াৰ সংশোধন

যোগ্য ব্যক্তি এজনে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ (PDS) যোগেদি ৰেহাই দৰত প্ৰতি মাহে প্ৰতি ব্যক্তিয়ে ৫ কেজি খাদ্য শস্য পাব, তলত সবিশেষ দিয়া হৈছে ঃ

- চাউল-প্ৰতি কেজিত ৩ টকা
- ঘেহু-প্ৰতি কেজিত ২ টকা
- মোটা শস্য-প্ৰতি কেজিত ১ টকা

বৰ্ত্তি থকা অন্তোদয়া অন্ন যোজনাৰ (AAY) গৃহস্থই, সমাজৰ আটাইতকৈ দুখীয়া শ্ৰেণীৰ গৃহস্থই প্ৰতি মাহত অহৰহভাৱে ৩৫ কেজি খাদ্য শস্য লাভ কৰিব।

টোকা ঃ ওপৰত উল্লেখ কৰা অনুপাত ৰাজ্য ভেদে ভিন্ন হ'ব পাৰে।



[৮] গোলকীয় ক্ষুধা সূচাংক – IFPRI অনুসৰি

## খ. মহিলা আৰু শিশু সকলোলৈ পুষ্টিৰ যোগান

নিৰ্দ্ধাৰিত পুষ্টিৰ মানদণ্ডৰ আধাৰত ১৪ বছৰ বয়সৰ শিশুসকলে পুষ্টিকৰ আহাৰ লাভ কৰাৰ যোগ্য।

## গ. মাতৃত্ব লাভ

গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলে নিৰ্দ্ধাৰিত পুষ্টিকৰ আহাৰ লাভ কৰাৰ লগতে কমেও ৬,০০০ টকাৰ মাতৃত্ব লাভ পোৱাৰ যোগ্য।

## ঘ. মহিলা সৱলীকৰণ

এটা গৃহস্থত, বয়োজেষ্ঠ মহিলাক (কমেও ১৮ বছৰ বয়সৰ) গৃহস্থৰ মুখ্য হিচাপে গণ্য কৰা হ'ব আৰু তেওঁৰ নামত ৰেচন কাৰ্ড জাৰি কৰা হ'ব। গৃহস্থত কোনো মহিলা নাথাকিলে, ঘৰৰ আটাইতকৈ জেষ্ঠ লোকে এই সুবিধা লাভ কৰিব।

## ঙ. খাদ্য সুৰক্ষা ভাট্টা

যোগ্য গৃহস্থক খাদ্য শস্য বা আহাৰ যোগান ধৰিব নোৱাৰিলে উপযুক্ত হিতাধিকাৰীক খাদ্য সুৰক্ষা ভাট্টা দিয়াৰ ব্যৱস্থা কৰা আছে।

### জৰিমনা

জিলা অভিযোগ নিবাৰণ বিষয়াই অনুমোদন জনোৱা সাহায্যখিনিক প্ৰদান কৰিবলৈ বিফল হ'লে ৰাজ্যিক খাদ্য আয়োগে চৰকাৰী বিষয়া বা কৃৰ্তপক্ষৰ ওপৰত জৰিমনা বিহিব পৰাৰ ব্যৱস্থা আছে।

### ক'লৈ যাব ?

- জিলা অভিযোগ নিবাৰণ বিষয়া (জিলা দণ্ডাধীশ / উপায়ুক্ত ইত্যাদি)
- ৰাজ্যিক খাদ্য আয়োগ
- ৰাষ্ট্ৰীয় খাদ্য আয়োগ

অধ্যায় ৭

# অনুসূচীত জাতি/জনজাতি অত্যাচাৰ নিবাৰণ আইন, ১৯৮৯

### পটভূমি

অনুসূচীত জাতিৰ বিৰুদ্ধে উনৈছশ শতিকাৰ পৰা অত্যাচাৰ কৰাৰ উমান পোৱা যায়। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ আৰ্থ-সামাজিক পৰিস্থিতিক বিকশিত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও তেওঁলোকে এতিয়াও স্পৰ্শকাতৰ হৈ থকাৰ লগতে বিভিন্ন ধৰণৰ অপৰাধ, অপমান, লাঞ্ছনা আৰু অত্যাচাৰৰ বলি হৈ আছে। গতিকে এইবোৰ অত্যাচাৰৰ পৰা তেওঁলোকক ৰক্ষণাবেক্ষণ দিবলৈ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (অত্যাচাৰ নিবাৰণ) আইন বলবৎ কৰা হৈছে। এই আইনত উক্ত সম্প্ৰদায়ৰ লোকৰ ওপৰত অত্যাচাৰ কৰা বা তেওঁলোকৰ মৰ্যাদাক ক্ষুণ্ণ কৰিব পৰা কাৰ্যৰ লগতে তেওঁলোকক সামাজিক বা আৰ্থিকভাৱে বয়কট কৰা কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই আইনে ভুক্তভোগীক সকাহ আৰু দ্ৰুত ন্যায় প্ৰদানত সহায় কৰে।



### উদ্দেশ্য

এই আইনৰ উদ্দেশ্য হৈছে, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকলে সমাজত সন্মান, আত্মমৰ্যাদা তথা কোনো ধৰণৰ আশংকা, হিংসাৰ বশৱৰ্ত্তী নোহোৱাকৈ বা সমাজৰ প্ৰভাৱশালী লোকৰ দমনৰ বশৱৰ্ত্তী নোহোৱাকৈ জীয়াই থাকিবলৈ ইতিবাচক পদক্ষেপৰ সৈতে ন্যায় প্ৰদান কৰা (ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ, অনুসূচীত জাতিৰ বিৰুদ্ধে অত্যাচাৰ প্ৰতিৰোধৰ ওপৰত দাখিল কৰা প্ৰতিবেদন, নতুন দিল্লী, ২০০২, পিপি. ১৪-১৫)।

### ইয়াৰ অধীনত সামৰি লোৱা অত্যাচাৰ

অনা অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোক এজনে, অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোক এজনক যদি বল প্ৰয়োগ কৰে।

- কোনো অখাদ্য বা অপ্ৰিয় পদাৰ্থ খাবলৈ বা পান কৰিবলৈ দিয়ে;
- মলমূত্ৰ, পেলনীয়া, আবৰ্জনা, মৃতদেহ বা যিকোনো অপ্ৰিয় পদাৰ্থ তেওঁৰ গালৈ দলিয়াই, তেওঁৰ ঘৰৰ পৰিসৰত বা চুবুৰীত দলিয়াই ব্যক্তিজনক আহত, অপমান বা বিৰক্ত কৰিলে;
- বল প্ৰয়োগ কৰি কাপোৰ খুলি দিয়া বা নাঙঠ কৰি প্ৰদৰ্শন কৰা বা মুখ বা শৰীৰত অঁকা বা মানুহৰ মৰ্যাদাক লাঘৱ কৰিব পৰা এইধৰণৰ যিকোনো কাম কৰা;
- কোনো বৈধ প্ৰতিষ্ঠানৰ দ্বাৰা অধিসূচীত ভূমি বা প্ৰদান কৰা বা মালিকনা স্বত্ব থকা ভূমিক অন্যায়ভাৱে অধিগ্ৰহণ কৰা বা খেতি কৰা বা তাক হস্তান্তৰ কৰা;

- তেওঁক নিজৰ ভূমি বা পৰিসৰৰ পৰা অন্যায়ভাৱে উলিয়াই দিয়া বা তেওঁক নিজৰ ভূমি, পৰিসৰ বা জলৰাশিৰ অধিকাৰ ভোগ কৰাৰ পৰা বঞ্চিত কৰা;
- চৰকাৰে ৰাজহুৱা উদ্দেশ্যে জাৰি কৰা বাধ্যতামূলক সেৱাৰ বাহিৰে 'ভিক্ষা' কৰিবলৈ জোৰজুলুম কৰা বা প্ৰলোভিত কৰা বা এই ধৰণৰ আন কোনো কাম কৰিবলৈ বল প্ৰয়োগ কৰা বা বন্ধুৱা শ্ৰম কৰিবলৈ বাধ্য কৰা;
- ভোটদান নকৰিবলৈ জোৰ কৰা বা ভিতি প্ৰদৰ্শন কৰা বা কোনো বিশেষ প্ৰাৰ্থীক ভোট দিবলৈ বাধ্য কৰা বা আইনৰ বিৰুদ্ধাচৰণ কৰি ভোট দিবলৈ বল প্ৰয়োগ কৰা;
- ভুৱা, দুৰ্নাম আনিব পৰা বা হাৰাশাস্তি কৰিব পৰা গোচৰ বা অপৰাধীক গোচৰ বা অন্য আইনসঙ্গত প্ৰক্ৰিয়া গোচৰ তৰা;
- যিকোনো চৰকাৰী বিষয়াক ভুৱা বা মিছা তথ্য প্ৰদান কৰা যাৰ ফলত বিষয়াজনে নিজৰ ক্ষমতা প্ৰয়োগ কৰি ব্যক্তিগৰাকীক আঘাত দিব পাৰে বা বিৰক্ত কৰিব পাৰে;
- ৰাজহুৱাকৈ যিকোনো স্থানত ইচ্ছাকৃতভাৱে অপমান বা অৱমাননা কৰাৰ উদ্দেশ্যে ভিতি বিহ্বল কৰা;
- যিকোনো মহিলাক অপমান কৰিবলৈ বা তেওঁৰ মৰ্যাদাক লাঘৱ কৰাৰ উদ্দেশ্যে আক্ৰমণ বা বল প্ৰয়োগ কৰা;
- মহিলাৰ ইচ্ছা অবিহনে এগৰাকী মহিলাক দমন কৰিব পৰা পদত থকা আৰু মহিলাৰ যৌন শোষণ কৰিবলৈ সেই পদৰ গৰিমাক অবৈধভাৱে প্ৰয়োগ কৰা;
- সচৰাচৰতে প্ৰয়োগ কৰা ঝৰণা বা জলাশয় বা যিকোনো পানীৰ উৎসক, সচৰাচৰ যি কামত প্ৰয়োগ কৰা হৈছে তাতোকৈ দূষিত বা প্ৰদূষিত কৰা;
- অন্য সদস্য বা শ্ৰেণীৰ লোকে নিজৰ অধিকাৰ খটাব পৰা কোনো ৰাজহুৱা অধিষ্ঠানত যিকোনো প্ৰথাগতভাৱে থকা প্ৰৱেশ কৰাৰ অধিকাৰ দিবলৈ সেই সদস্যৰ ক্ষেত্ৰত অস্বীকাৰ কৰা বা বাধা প্ৰদান কৰা;
- নিজৰ ঘৰ, গাঁও বা বসবাস কৰা অন্য স্থানবোৰক ত্যাগ কৰিবলৈ বল প্ৰয়োগ কৰা বা বাধ্য কৰা।

### শেহতীয়াকৈ অন্তৰ্ভুক্ত কৰা অত্যাচাৰবোৰৰ ভিতৰত আছেজ্ঞা[৯]

- অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সদস্যসকলৰ মৰ্যাদাক লাঘৱ কৰিব পৰাকৈ মূৰৰ চুলি, দাড়ি খুৰোৱা বা এইধৰণৰ আন কামবোৰক শেহতীয়াকৈ অত্যাচাৰৰ অপৰাধত অন্তৰ্ভুক্ত কৰা হৈছে।
- এইবোৰ অপৰাধৰ ভিতৰত আছে জলসিঞ্চনৰ সুবিধা বা বনাঞ্চলৰ সুবিধাৰ পৰা বঞ্চিত কৰা 'চেণ্ডেলৰ মালা পিন্ধোৱা' তেওঁলোকক মানুহৰ বা জীৱ-জন্তুৰ শৱদেহ বা মৃতদেহ কঢ়িয়াবলৈ বা বিনষ্ট কৰিবলৈ বা মৰাশ পুতিবলৈ গাত খান্দিবৰ বাবে বাধ্য কৰোৱা, শাৰীৰিকভাৱে মলমূত্ৰ পৰিষ্কাৰ কৰিবলৈ প্ৰয়োগ কৰা বা অনুমতি দিয়া, অনুসূচীত জাতি/জনজাতি সম্প্ৰদায়ৰ মহিলাক দেৱদাসী হিচাপে উৎসৰ্গীত কৰা আৰু জাতিৰ নাম লৈ গালি-শপনি পৰা।



- সামাজিক বা আৰ্থিকভাৱে বয়কট কৰা, অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ মহিলাৰ বস্ত্ৰ খুলি অপমানিত কৰা, অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ লোকসকলক নিজৰ ঘৰ, গাঁও বা বাসস্থান ত্যাগ কৰিবলৈ বল প্ৰয়োগ কৰা, অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোকৰ বিৰুদ্ধে যৌন গোন্ধজনিত আচৰণ বা কাৰ্য ইত্যাদি কৰা।
- ভোটৰ লগত জড়িত কামকাজত বিশেষকৈ এজন বিশেষ প্ৰাৰ্থীক ভোট দান কৰিবলৈ বা ভোটদান

### কৰিবলৈ হকাবাধা কৰা কাৰ্যক এটা অপৰাধ বুলি গণ্য কৰা হৈছে।

- অনুসূচীত জাতি বা অনুসূচীত জনজাতি সম্প্ৰদায়ৰ বিৰুদ্ধে কমেও দহ বছৰ কাৰাবাসৰ শাস্তিৰ বিধান থকা কেতবোৰ ফৌজদাৰী অপৰাধ (IPC) যেনে, কাৰোবাক আঘাতপ্ৰাপ্ত কৰা, গুৰুতৰভাৱে আঘাত হনা, ভিতি প্ৰদৰ্শন, অপহৰণ কৰিলে পি.ও.এ. আইনৰ অধীনত শাস্তি বিহা হ'ব।

---

[৯] http://www.newindianexpress.com/nation/Stringent-Punishment-for-Atrocities-on-SC-ST-Under-New-Act/2016/01/25/article3244317.ece

### চৰকাৰী কৰ্মচাৰীৰ ভূমিকা

- এজাহাৰ পঞ্জীকৰণ কৰা বা অভিযোগ কৰাটো চৰকাৰী কৰ্মচাৰীৰ দায়িত্ব।
- অনুসূচীত জাতি/অনুসূচীত জনজাতি সম্প্ৰদায়ৰ ব্যক্তিয়ে মৌখিকভাৱে শুনোৱা অভিযোগ পত্ৰত ভূক্তভোগীক চহী কৰোৱাৰ আগত তাক পঢ়ি শুনোৱা আৰু অভিযোগৰ প্ৰতিলিপি প্ৰদান কৰাটো ৰাজহুৱা বিষয়াৰ দায়িত্ব।
- চৰকাৰী বিষয়াই অভিযোগ পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰিলে তেওঁ/তাইক কমেও ছ মাহৰ সশ্ৰম কাৰাবাসৰ শাস্তি বিহিব পাৰে কিন্তু ইয়াক এবছৰলৈ সম্প্ৰসাৰণ কৰিব পাৰি।

### ন্যায়ালয়ৰ স্থাপনা

- অত্যাচাৰ নিবাৰণ অধীনত থকা গোচৰবোৰক আছুতীয়াকৈ বিচাৰ কৰিবলৈ আৰু তৰান্বিতভাৱে নিষ্পত্তি কৰিবলৈ আছুতীয়া বিশেষ ন্যায়ালয় স্থাপন কৰিবলৈ আৰু আছুতীয়াভাৱে বিশেষ চৰকাৰী উকীল নিয়োগ কৰিবলৈ ব্যৱস্থা কৰা আছে।
- বিশেষ আদালত আৰু আছুতীয়া বিশেষ আদালতৰ, যথাসম্ভৱ অপৰাধৰ বিষয়ে প্ৰত্যক্ষভাৱে সংজ্ঞান লোৱাৰ, অভিযোগ নামা দাখিল কৰাৰ দুমাহৰ ভিতৰত বিচাৰৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ ক্ষমতা আছে।

### তদন্ত

- অনুসূচীত জাতি/অনুসূচীত জনজাতি সম্প্ৰদায় আইনৰ অধীনত কৰা অপৰাধৰ গোচৰক আৰক্ষীৰ উপ অধীক্ষকৰ (DSP) তলৰ বিষয়াই তদন্ত কৰিব নোৱাৰে।

### ভূক্তভোগী আৰু সাক্ষী

- আইনত ভূক্তভোগী আৰু সাক্ষীৰ অধিকাৰবোৰক সামৰি লোৱা হৈছে।
- ভূক্তভোগী আৰু তেওঁৰ আশ্ৰিত তথা সাক্ষীক সুৰক্ষা প্ৰদান কৰিবলৈ চৰকাৰে যাৱতীয় ব্যৱস্থা কৰিব লাগে।

### ক্ষতিপূৰণ

- বিভিন্ন শ্ৰেণীৰ অপৰাধৰ অধীনত অনুসূচীত জাতি/অনুসূচীত জনজাতি সম্প্ৰদায়ৰ ভূক্তভোগীসকলক চৰকাৰে ১ লাখ টকাৰ পৰা আৰম্ভ কৰি ৮.২৫ লাখ টকালৈকে ক্ষতিপূৰণ দিব লাগিব।

### এই ধৰণৰ অপৰাধৰ বাবে শাস্তিৰ ব্যৱস্থা

এই আইনত অপৰাধৰ প্ৰকৃতি আৰু অপৰাধক প্ৰকাৰৰ আধাৰত বিভিন্ন শাস্তিৰ বিধান কৰা হৈছে। অৱশ্যে এই আইন/ সংশোধনৰ অধীনত জৰীমনাৰ লগতে ছ মাহৰ পৰা আজীৱন কাৰাবাসৰ শাস্তি বিহাৰ ব্যৱস্থা কৰা হৈছে।

### ক'লৈ যাব?

- নিজৰ কাষত থকা আৰক্ষী চকীত এজাহাৰ ৰুজু কৰিব লাগে।
- ক্ষতিপূৰণৰ লগত জড়িত প্ৰশ্ন থাকিলে; উপ মহকুমা দণ্ডাধীশ, জিলা দণ্ডাধীশ, ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি অনুসূচীত জনজাতি বিকাশ বিভাগৰ সঞ্চালক তথা সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ পৰা সবিশেষ জানিব পাৰিব।
- সহায়ৰ বাবে চি.এচ.চি.টো যোগাযোগ কৰিব পাৰে।

অধ্যায় ৮

# বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি আৰু অন্যান্য পৰম্পৰাগত লোকৰ (বনাঞ্চল অধিকাৰ স্বীকৃতি) আইন/ সংশোধনী

**পটভূমি**

ভাৰতবৰ্ষত বনাঞ্চলৰ আশে-পাশে প্ৰায় ২৫০ নিযুত লোকে বসবাস কৰে, তাৰে ভিতৰত এটা গণনা অনুসৰি স্বদেশী আদিবাসী বা জনজাতি সম্প্ৰদায়ৰ জনসংখ্যা হৈছে ১০০ নিযুতৰো অধিক[১০]। বহুদিনৰ পৰা এই স্বদেশী লোকসকলে গণতন্ত্ৰ, জীৱিকা আৰু মৰ্যাদাৰ বাবে যুঁজ দি আহিছে। গতিকে তেওঁলোকে অতীজৰে পৰা সহ্য কৰি অহা ঐতিহাসিক অন্যায়ক আঁতৰ কৰিবলৈ চৰকাৰে 'অনুসূচীত জনজাতি আৰু অন্যান্য বনাঞ্চল নিবাসী (বনাঞ্চল অধিকাৰ স্বীকৃতি) আইন ২০০৬ বলবৎ কৰিছে।

এই আইনখন ভাৰতবৰ্ষৰ বিভিন্ন ভাগত থকা বনাঞ্চলত বসবাস কৰা লাখ লাখ জনজাতি আৰু অন্যান্য লোকে বনাঞ্চলত থকা ভূমিত খেতি কৰা আৰু উমৈহতীয়া সম্পত্তিৰ উৎসৰৰ ওপৰত থকা অধিকাৰ আৰু অন্যান্য অধিকাৰৰ বাবে বৰ গুৰুত্বপূৰ্ণ। এই আইনৰ উদ্দেশ্য হৈছে বনাঞ্চলত বসবাস কৰা সম্প্ৰদায়ৰ অধিকাৰখিনিক স্বীকৃতি প্ৰদান কৰা আৰু বনাঞ্চল তথা বন্যপ্ৰাণীৰ সংৰক্ষণত তেওঁলোকৰ সহযোগিতাক প্ৰেৰণা যোগোৱা। বহুপুৰুষৰ পৰা এইধৰণৰ বনাঞ্চলত বসবাস কৰি অহা কিন্তু তেওঁলোকৰ অধিকাৰবোৰক কেতিয়াও বাণীৱদ্ধ নকৰা তথা বনাঞ্চলৰ ওপৰত ঘাইকৈ নিৰ্ভৰশীল অনুসূচীত জনজাতি আৰু অনা অনুসূচীত জনজাতি সম্প্ৰদায়ৰ পৰম্পৰাগত অধিকাৰবোৰক স্বীকৃতি প্ৰদান কৰা এই আইন সকলোৰে আদৰণীয় হৈছে।

**বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি আৰু আন পৰম্পৰাগত বনাঞ্চল নিবাসীসকলৰ বাবে নিম্নলিখিত অধিকাৰসমূহক সামৰি লোৱা হৈছে:**

- এখন বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি আৰু পৰম্পৰাগত বনাঞ্চল নিবাসী লোকৰ সদস্য বা সদস্যসকলে জীৱিকাৰ বাবে নিজে খেতি কৰিবলৈ বা বসবাস কৰিবলৈ বা ব্যক্তিসকলে উমৈহতীয়া আবাসস্থানৰ বাবে বনাঞ্চলৰ ভূমি দখল কৰিব আৰু জীৱিকা প্ৰৱৰ্ত্তাব পাৰিব।
- সামুদায়িক অধিকাৰ যেনে নিষ্টাৰ, ৰজাদিনীয়া কালত যি নামেৰে মতা নহওঁক কিয় তথা অন্তৱৰ্ত্তীকালিন শাসনৰ সময়ত জনাজাত জমিদাৰী প্ৰথা।
- গাঁওৰ পৰিসীমাৰ ভিতৰত বা বাহিৰত পৰম্পৰাগতভাৱে সংগ্ৰহ কৰি অহা বনজ সম্পদৰ ওপৰত মালিকনা অধিকাৰ, বনাঞ্চলৰ সৰু-সুৰা উৎপাদিত সম্পদক প্ৰয়োগ কৰাৰ আৰু নিষ্পত্তি কৰাৰ (উদ্ভিদ বংশোদ্ভূত সকলো টিম্বাৰযুক্ত বনজ সম্পদ অন্তৰ্ভূক্ত) অধিকাৰ।
- জলাশয়সমূহৰ অন্যান্য উৎপাদিত সামগ্ৰী, মাছ আদিৰ দৰে অন্যান্য সামুদায়িক অধিকাৰ, পশুচৰণ (বসবাস আৰু জীৱ-জন্তুৰ বতৰ ভিত্তিক চাৰণ দুয়োবিধ) প্ৰয়োগৰ অধিকাৰ, আৰু পৰম্পৰাগত ঋতুজনিত সম্পদৰ ওপৰত যাযাবৰ জনগোষ্ঠী আৰু জীৱজন্তু পোহা যাযাবৰী সম্প্ৰদায়ৰ অধিকাৰ।




---

১০ http://www.thehindu.com/opinion/op-ed/lets-not-miss-the-wood/article7358626.ece
১১ http://fra.org.in/

- যিকোনো ৰাজ্যত বিবাদিত যিকোনো নামাৱলীৰ অধীনত বিবাদিত ভূমিৰ ভিতৰত বা বাহিৰত অধিকাৰ।
- যিকোনো স্থানীয় নিকায় বা যিকোনো ৰাজ্য চৰকাৰে বনাঞ্চল ভূমিত জাৰি কৰা অনুদান, পাট্টা বা লিজবোৰক নামলৈ হস্তান্তৰ কৰাৰ অধিকাৰ।
- সকলো বনাঞ্চল গাঁও, পুৰণি আবাসভূমি, জৰীপ নকৰা গাঁও আৰু বনাঞ্চলত থকা অন্যান্য গাঁও, অধিসূচীত হোৱা বা নোহোৱা গাঁওবোৰক ৰাজহ গাঁওলৈ বন্দোবস্ত কৰা বা সলনি কৰাৰ অধিকাৰ।
- তেওঁলোকে পৰম্পৰাগতভাৱে বৰ্তি থাকিব পৰাকৈ সংৰক্ষণ আৰু সুৰক্ষা প্ৰদান কৰি অহা যিকোনো সামুদায়িক বনাঞ্চল সম্পদক পৰিচালনা বা সুৰক্ষা, পুনৰজীৱিত বা সংৰক্ষণ কৰাৰ অধিকাৰ।
- যিকোনো ৰাজ্যৰ ৰাজ্যিক আইন বা যিকোনো স্বায়ত্তশাসিত পৰিষদ বা স্বায়ত্তশাসিত আঞ্চলিক পৰিষদ বা সংশ্লিষ্ট জনজাতি বা যিকোনো ৰাজ্যৰ যিকোনো পৰম্পৰাগত বা প্ৰথাগত অধিকাৰ বুলি গ্ৰহণ কৰা আৰু স্বীকৃতি প্ৰদান কৰা অধিকাৰ সমূহ।
- জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ লগত জড়িত বৌদ্ধিক সম্পত্তি আৰু পৰম্পৰাগত জ্ঞানৰ জৈৱ বৈচিত্ৰ আৰু সম্প্ৰাদয়ৰ মাজত প্ৰৱেশৰ অধিকাৰ।
- যিকোনো পৰম্পৰাগত আৰু প্ৰথাগতভাৱে বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি বা অন্য পৰম্পৰাগতভাৱে বনাঞ্চলৰ আবাসীসকলে উপভোগ কৰাৰ অধিকাৰ, বিষয় যিকোনো হ'ব পাৰে, যাক ওপৰত উল্লেখ কৰা হোৱা নাই, কিন্তু চিকাৰৰ পৰম্পৰাগত অধিকাৰ বা বনৰীয়া জীৱ-জন্তুৰ যিকোনো প্ৰজাতিৰ শৰীৰৰ কোনো অংশক ফান্দত পেলোৱাৰ প্ৰথাক বাদ দি।

### যোগ্যতা

এই আইনৰ অধীনত থকা অধিকাৰবোৰক ভোগ কৰাৰ পাত্ৰতাখিনিক 'প্ৰাথমিকভাৱে বনাঞ্চলত বসবাস কৰোতাসকলৰ' বাবে আৰু বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল আৰু জীৱিকাৰ বাবে বনাঞ্চলৰ ভূমিত নিৰ্ভৰশীলসকলৰ মাজত সীমিত কৰা হৈছে। ইয়াৰ উপৰিও অধিকাৰ দাবী কৰা ব্যক্তিজন সেই অঞ্চলৰ অনুসূচীত থকা অনুসূচীত জনজাতি হ'ব লাগিব বা বনাঞ্চলত কমেও ৭৫ বছৰৰ পৰা বসবাস কৰা হ'ব লাগিব।

### গ্ৰাম সভাৰ বাবে বিশেষ ব্যৱস্থা

- য'ত বনাঞ্চল অধিকাৰ আইনৰ (FRA) অধীনত অধিকাৰখিনিক স্বীকৃতি দিয়া আছে তাত গ্ৰাম সভাৰ সামান্য বনজ উৎপাদনৰ (MFPS) ওপৰত অস্থায়ী অনুজ্ঞা প্ৰদানৰ কৰ্তৃত্ব আছে।
- গ্ৰাম্য সভাই যদি অনুভৱ কৰে যে সামান্য বনজ সম্পদবোৰক সংগ্ৰহ কৰা, প্ৰয়োগ কৰা আৰু নিষ্পত্তি কৰাৰ দিশত বৰ্ত্তি থকা কাৰ্যই সামান্য বনজ সম্পদবোৰক অতিশয় মাত্ৰাত শোষণ কৰিছে তেতিয়া সংৰক্ষণ আৰু পৰিচালনাৰ পৰিকল্পনাক সংশোধন কৰি ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰে।
- গ্ৰাম সভাৰ লগতে অধিকাৰ ধাৰকসকলকো আইনৰ অধীনত বনাঞ্চল, বন্য প্ৰাণী, জৈৱিক বৈচিত্ৰতা আৰু অন্যান্য শিতানক বেয়াকৈ প্ৰভাৱিত কৰিছে বুলি অনুভৱ কৰিলে সেই ধৰণৰ কাৰ্যক বন্ধ কৰিবলৈ সৰলীকৰণ কৰা হৈছে।

### ক'ৰ পৰা অধিকাৰ দাবী কৰিব ?

উক্ত আইনযসংশোধনীয়ে গ্ৰাম সভাক সামুদায়িক বনাঞ্চল অধিকাৰসমূহৰ প্ৰকৃতি আৰু সম্প্ৰসাৰণ নিৰ্দ্ধাৰণ কৰাৰ কাম আৰম্ভ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে। গ্ৰাম সভাৰ হৈ সমুদায় বনাঞ্চল অধিকাৰ দাবীৰ প্ৰস্তুতি চলোৱাতো বনাঞ্চল অধিকাৰ সমিতিৰ দায়িত্ব।

### ক'লৈ যাব ?

- গ্ৰাম সভা
- মহকুমা পৰ্যায়ৰ সমিতি
- জিলা পৰ্যায়ৰ সমিতি
  (যদি ওপৰোক্ত কৰ্তৃপক্ষসমূহে সমভাববোৰক নিষ্পত্তি নকৰে, তেতিয়াহ'লে ব্যক্তি গৰাকীয়ে আইনৰ অধীনত ন্যায়ালয়ৰ কাষ চাপিব পাৰিব। যিহেতু অনুসূচীত জাতি/অনুসূচীত জনজাতিসকলে বিনামূলীয়া আইন সাহায্য লাভ কৰিব পৰাৰ পাত্ৰতা আছে, গতিকে তেওঁলোকে DLSA/TLSCৰ কাষ চাপি বিনামূলীয়া আইন সাহায্য সেৱা লাভ কৰিব পাৰে।)
- যিকোনো ধৰণৰ সহায়ৰ বাবে CSC কেন্দ্ৰৰ লগতো যোগাযোগ কৰিব পাৰে।

অধ্যায়
৯

# তথ্য জনাৰ অধিকাৰ আইন ২০০৫

## পটভূমি

তথ্য জনাৰ অধিকাৰ আইন (RTI) হৈছে নাগৰিকসকলে চৰকাৰী তথ্য জানিবলৈ জনোৱা অনুৰোধৰ প্ৰতি সময়মতে তথ্য প্ৰদান কৰিবলৈ এটা ব্যৱহাৰিক শাসন প্ৰণালী স্থাপন কৰা আইন। সংবিধানৰ ধাৰা ১৯ (১)ৰ অধীনত থকা বাক স্বাধীনতা আৰু প্ৰত্যেক নাগৰিকৰ প্ৰকাশ কৰাৰ মৌলিক অধিকাৰৰ অধীনত ইয়াৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। ই কেবিনেটৰ সকলো সিদ্ধান্তৰ লগতে ইতিমধ্যে গ্ৰহণ কৰা আৰু কাৰ্যকৰী কৰা প্ৰকল্প আৰু কামকাজৰ ওপৰত নাগৰিকসকলক তথ্য জনাৰ অধিকাৰ প্ৰদান কৰিছে।

বাণীৱদ্ধ কৰা, তথ্যপাতি,জ্ঞাপন, ই-মেইল, মতামত, পৰামৰ্শ, প্ৰেছ বিজ্ঞপ্তি, চাৰ্কুলাৰ, আদেশ, ল'গবুক, সন্ধি, প্ৰতিবেদন, কাগজ, নমুনা, আৰ্হি, ডেটা, সামগ্ৰী ইত্যাদি যিকোনো আকাৰত তথ্য বিচাৰিব পাৰে।

তথ্য জনাৰ অধিকাৰ আইনক জম্মু আৰু কাশ্মীৰক বাদ দি সমগ্ৰ ভাৰতবৰ্ষত সম্প্ৰসাৰণ কৰা হৈছে তথ্য ইয়াক সকলো কেন্দ্ৰীয় চৰকাৰ / ৰাজ্য চৰকাৰ / ৰাজহুৱা প্ৰতিষ্ঠান / চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত সংগঠন / অনুষ্ঠানসমূহ, বিদ্যালয়, বেচৰকাৰী সংগঠনবোৰক সামৰি লোৱা হৈছে।

## তথ্য জনাৰ অধিকাৰৰ উদ্দেশ্য

প্ৰতিটো ৰাজহুৱা কৰ্তৃপক্ষৰ কাম-কাজক স্বচ্ছ আৰু দায়ৱদ্ধ কৰি তোলা।
- নাগৰিকসকসলক তথ্য জনাবৰ বাবে এটা ব্যৱহাৰিক শাসনৰ ব্যৱস্থা স্থাপন কৰা।
- দুৰ্নীতিক নিয়ন্ত্ৰণ / সংযত কৰা।
- নাগৰিকসকলক সৱলীকৰণ কৰি তোলা।
- চৰকাৰৰ কামকাজৰ বিষয়ে নাগৰিকসকলক সম্ভেদ দিয়া আৰু গণতন্ত্ৰ ব্যৱস্থাই বাস্তৱিকতে ৰাইজৰ হকে কাম কৰা।



## তথ্য মানে কি ?

তথ্য হৈছে যিকোনো আকাৰত থকা যিকোনো সামগ্ৰী। কৰা তথ্য, তথ্যপাতি, জ্ঞাপন, ই-মেইল, মতামত, পৰামৰ্শ, প্ৰেছ বিজ্ঞপ্তি, চাৰ্কুলাৰ, আদেশ, ল'গবুক, সন্ধি, প্ৰতিবেদন, ই যিকোনো ধৰণৰ ইলেক্ট্ৰনিক আকাৰত থকা বাণীৱদ্ধ কাগজ, নমুনা, আৰ্হি, ডেটা, সামগ্ৰী হ'ব পাৰে। বৰ্ত্তমানে কাৰ্যকৰী হৈ থকা যিকোনো আইনৰ [১২] অধীনত ৰাজহুৱা কৰ্তৃপক্ষই প্ৰৱেশ কৰিব পৰা যিকোনো ব্যক্তিগত প্ৰতিষ্ঠানৰ লগত জড়িত তথ্যপাতিও হ'ব পাৰে।

## আমি কাৰ পৰা তথ্য বিচাৰিব পাৰো ?

ৰাজহুৱা প্ৰতিষ্ঠানসমূহে নিজৰ কাৰ্যালয়সমূহত সহকাৰী ৰাজহুৱা তথ্য বিষয়া / ৰাজহুৱা তথ্য বিষয়া নিয়োগ কৰি ৰাখিছে। এই আইনৰ অধীনত তথ্য বিচৰা লোকসকলক তথ্য প্ৰদান কৰাতো তেওঁলোকৰ দায়িত্ব।

[১২] http://persmin.gov.in/DOPT/RTICorner/ProactiveDisclosure/FAQ_RTI_2012.pdf

### কোনে আৰটিআই দাখিল কৰিব পাৰে?
১৮ বছৰ বয়সৰ উৰ্দ্ধৰ, দেশৰ সকলো নাগৰিকে আৰটিআই দাখিল কৰিব পাৰে।

## ক. RTI দাখিল কৰাৰ প্ৰক্ৰিয়া (অফলাইন)
তাৰ কাৰণে কোনো বিহিত পদ্ধতি নাই। তথ্য জানিব বিচৰা ব্যক্তি এজনে উকা এখিলা কাগজত নাম আৰু ঠিকনা উল্লেখ কৰি আবেদন কৰিব পাৰে। নিৰক্ষৰ আৰু বিশেষভাৱে সক্ষম লোকসকলে (এটা মহকুমা পৰ্যায়ত) আবেদন দাখিল কৰিবলৈ ৰাজহুৱা তথ্য বিষয়া / সহকাৰী ৰাজহুৱা তথ্য বিষয়াৰ সহায় ল'ব পাৰে। ইয়াৰ কাৰণ জানিব বিচৰাটো সম্পূৰ্ণভাৱে নিষিদ্ধ কৰা হৈছে। ৰাজহুৱা তথ্য বিষয়াৰ দায়িত্ব হৈছে তথ্য জানিব বিচৰা ব্যক্তিজনক আৰটিআই দাখিল কৰিবলৈ সহায় কৰাটো।

### আৰটিআই দাখিল কৰাৰ স্থান?
আবেদন যিকোনো ৰাজহুৱা কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণত থকা কৰ্তৃপক্ষৰ ওচৰত সংশ্লিষ্ট ৰাজহুৱা তথ্য বিষয়াৰ ওচৰত আবেদন দাখিল কৰিব পাৰি।


### মাছুল আদায় দিয়া
- তথ্য বিচৰা যিকোনো নাগৰিকে আবেদনৰ বাবে ১০ টকাৰ বিহিত মাছুল আদায় দিব লাগে।
- এই মাছুল ডিমাণ্ড ড্ৰাফ্‌ট, চেক, নগদ বা ভাৰতীয় ডাক অৰ্ডাৰৰ আকাৰত আদায় দিব পাৰি।
- এই মাছুল, আৱেদনৰ সৈতে সংশ্লিষ্ট বিভাগৰ সহকাৰী ৰাজহুৱা তথ্য বিষয়া / ৰাজহুৱা তথ্য বিষয়া বা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সপক্ষে আদায় কৰিব লাগে।
- তথ্য প্ৰদান কৰিবলৈ অতিৰিক্ত মাছুলৰ প্ৰয়োজন হ'লে, ৰাজহুৱা তথ্য বিষয়াই আবদনকাৰীক জনাব লাগিব। অতিৰিক্ত মাছুল আদায় কৰিবলৈ প্ৰাৰম্ভিক পৰ্যায়ত আদায় কৰা প্ৰক্ৰিয়াকে অনুসৰণ কৰিব লাগে।
- দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা কোনো ব্যক্তিয়ে আবেদন কৰিবলৈ কোনো ধৰণৰ মাছুল দিয়াৰ প্ৰয়োজন নহয়। অৱশ্যে তাৰ কাৰণে আবদনকাৰীয়ে নিজৰ আবেদনৰ সৈতে বৈধ চৰকাৰী প্ৰতিষ্ঠানে জাৰি কৰা বিপিএল কাৰ্ডৰ প্ৰতিলিপি গাঁঠি দিব লাগিব।

### অনুৰোধৰ নিষ্পত্তি
- আবেদন অফ্‌লাইন আৰু অনলাইন দুয়ো প্ৰকাৰে কৰিব পাৰি।
- আবেদন গ্ৰহণ কৰাৰ ৩০ দিনৰ ভিতৰত অনুৰোধ নিষ্পত্তি কৰিব লাগে।
- এজন ব্যক্তিৰ জীৱন বা ব্যক্তিৰ স্বাধীনতাৰ লগত জড়িত তথ্য অনুৰোধ কৰাৰ ৪৮ ঘণ্টাৰ ভিতৰত প্ৰদান কৰিব লাগে।


### আপীল
- প্ৰথম আপীল কৰ্তৃপক্ষ (FAA) ওচৰত আৰটিআই দাখিল কৰিব পাৰি।
- বিহীত সময় অতিবাহিত হোৱাৰ ৩০, দিনৰ ভিতৰত বা ৰাজহুৱা তথ্য বিষয়াৰ পৰা যোগাযোগ গ্ৰহণ কৰাৰ পিছত প্ৰথম আপীল দাখিল কৰিব পাৰি।
- তথ্য দিবলৈ অস্বীকাৰ কৰা বা কোনো উপযুক্ত কাৰণ নোহোৱাকৈ অতিৰিক্ত মাছুল বিচৰা বা অসমপূৰ্ণ তথ্য প্ৰদান কৰা, ভুল বা মিছা তথ্য প্ৰদান কৰাৰ বিৰুদ্ধে কেন্দ্ৰ বা ৰাজ্যিক তথ্য আয়োগত (CIC/SIC) এটা অভিযোগ দাখি কৰিব পাৰি।

### আৰটিআই আইনৰ অধীনত দ্বিতীয় আপীল কৰিবৰ বাবে?
যদি প্ৰথম আপীলেট কৰ্তৃপক্ষই বিহিত সময়ছোৱাৰ ভিতৰত আদেশ জাৰি কৰিবলৈ বিফল হয় বা আপীল কৰোতা ব্যক্তিজন প্ৰথম আপীলেট কৰ্তৃপক্ষই দিয়া আদেশৰ ওপৰত সন্তুষ্ট নহয় তেতিয়া তেওঁ ৰাজ্যিক তথ্য আয়োগ/কেন্দ্ৰীয় তথ্য আয়োগত প্ৰথম আপীলেট কৰ্তৃপক্ষই আদেশ জাৰি কৰা তাৰিখৰ পৰা নৱৈ দিনৰ ভিতৰত বা আপীলেটৰ পৰা লাভ কৰা বাস্তৱিক তাৰিখৰ বিহিত সময়ৰ ভিতৰত দ্বিতীয়টো আপীল দাখিল কৰিব লাগে।

### আৰটিআই আইনৰ কৰ্তৃপক্ষসমূহক তলত উল্লেখ কৰা হৈছে ঃ
১। ৰাজহুৱা কৰ্তৃপক্ষৰ ৰাজহুৱা তথ্য বিষয়া
২। প্ৰথম আপীলেট কতৃপক্ষই
৩। ৰাজ্যিক তথ্য আয়োগ/কেন্দ্ৰীয় তথ্য আয়োগ




## খ. আৰটিআই দাখিল প্ৰক্ৰিয়া (অনলাইন)




তলত ভাৰতীয় নাগৰিক এজনে অনলাইন মঞ্চৰ যোগেদি সকলো মন্ত্ৰালয় / বিভাগ আৰু কেন্দ্ৰ চৰকাৰৰ কেইটামান ৰাজহুৱা কৰ্তৃপক্ষত আৰটিআই আবেদনযপ্ৰথম আপীল কৰাৰ প্ৰক্ৰিয়া উল্লেখ কৰা হৈছে। ৰাজ্য বিশেষে, এই প্ৰক্ৰিয়া ভিন্ন হ'ব পাৰে।

ৱেব পৰ্টেলৰ যোগদি https://www.rtionline.gov.in ল'গঅন কৰক।


পঞ্জীকৰণ পত্ৰত ক্লিক কৰক আৰু নিজৰ সবিশেষ পূৰণ কৰক।

আপুনি নিজৰ সঠিক ঠিকনা, ফোন নম্বৰ আৰু ইমেল আইডি প্ৰদান কৰাত সুনিশ্চিত কৰক, কাৰণ ইয়াৰ পিছত আপুনি নিজৰ আবেদনৰ বিষয়ে ই-মেল আৰু এচএমচৰ যোগেদি সংকেত লাভ কৰিব।

আবেদন দাখিল কৰাৰ পিছত, আপোনাৰ বাবে এটা অনন্য পঞ্জীকৰণ সংখ্যা জাৰি কৰা হ'ব, যিটো আপুনি ভৱিষ্যতে যি কোনো যোগাযোগত প্ৰয়োগ কৰিব পাৰিব। এইটো হৈছে আৰটিআই ৱেব পৰ্টেলত আপোনাৰ একাউন্ট খুলাৰ প্ৰমাণ।

নিজৰ একাউণ্টত ল'গিং কৰাৰ পিছত চাবমিট বুটামত ক্লিক কৰক। ইয়াত আপুনি দাখিল কৰা সবিশেষ পৰ্যবেক্ষণ কৰিব পাৰিব। আপোনাৰ আবেদন সঠিক মন্ত্ৰালয়, চৰকাৰী বিভাগ বা সৰ্বোচ্চ সংস্থালৈ লিখা ঠিকনা নিশ্চিত কৰক। সদায় ড্ৰপ ডাউন মেনু লিষ্টৰ পৰা সঠিক বিভাগক বাচনি কৰিবলৈ মনত ৰাখিব।

- সঠিক বিভাগ বাচনি কৰাৰ পিছত আপোনাৰ আবেদন পূৰণ কৰক। অতিৰিক্ত তথ্য বা এটেছমেণ্ট দাখিল কৰিবলৈ সমৰ্থিত ডকুমেণ্ট মেনু বুটামত ক্লিক কৰক আৰু নিজৰ ফাইল সংযোগ কৰক।
- চাবমিট বুটামত ক্লিক কৰাৰ পিছত আপোনাৰ আৰ.টি.আই সফলতাৰে আপলোড হ'ব।
- অৱেশ্য বিহিত মাছুল আদায় নিদিলে সকলো প্ৰক্ৰিয়া প্ৰত্যাহত হৈ ৰব।



Online Request Payment Form

Do not use Refresh and back button of browser.

In case amount is debited and registration number is not received, registration number would be sent to you later after reconcilation.

DO NOT REGISTER ANOTHER REQUEST FOR THE SAME INFORMATION

| | | | |
|---|---|---|---|
| NAME | Arun Prabhudesai | RTI Fee : ₹10 | |
| Payment Mode | ◉ Internet Banking | ○ ATM-cum-Debit Card of SBI | ○ Credit or Debit Card |

Please select your Bank...

| | |
|---|---|
| | ○ State Bank of India |
| | ○ State Bank of Bikaner and Jaipur |
| | ○ State Bank of Hyderabad |
| | ○ State Bank of Mysore |
| | ○ State Bank of Patiala |
| | ○ State Bank of Travancore |

Note: After clicking on the "Pay" button, you will be directed to SBI Internet Banking gateway for payment. After completing the payment process, you will be redirected back to RTI Online Portal to view the details of your application.

Pay Back

## অনলাইন আৰটিআই মাছুল দাখিল কৰাৰ প্ৰক্ৰিয়া

মাছুল আদায় কৰাৰ পিছত, দাখিল কৰা আবেদনৰ অৱস্থাৰ প্ৰতিবেদন ই-মেল এলাৰ্ট বা এচ এম এচ ৰ যোগেদি লাভ কৰিব।

- তথ্য প্ৰদান কৰিবলৈ যদি অতিৰিক্ত মাছুলৰ প্ৰয়োজন হ এই পৰ্টেলৰ যোগেদি আবেদনকাৰীক জনাব। এই তথ্যখিনিক আবেদনকাৰীয়ে নিজৰ ই-মেল এলাৰ্টৰ যোগেদি বা অৱস্থা প্ৰতিবেদনৰ যোগেদি দেখিব।
- আবেদন দাখিল কৰাৰ পিছত, আপোনাৰ বাবে এটা অনন্য পঞ্জীকৰণ সংখ্যা জাৰি কৰা হ'ব, যিটো আপুনি ভৱিষ্যতে যি কোনো যোগাযোগত প্ৰয়োগ কৰিব পাৰিব।

  যদি আবেদন দাখিল কৰাৰ ৩০ ৰা পৰা ছুপ্ত দিনৰ ভিতৰত কোনো সঁহাৰি নাপায়, তেতিয়া আবেদনকাৰীয়ে ইতিমধ্যে সৃষ্টি কৰা একাউণ্টত ল'গিং কৰি আপীলেট কৰ্তৃপক্ষক আপীল কৰিব পাৰিব।



| | |
|---|---|
| Registration Number | MEAPD/R/[redacted] |
| Name | [redacted] |
| Date of Filing | 09/08/2013 |
| Status | REQUEST FORWARDED TO CPIO as on 13/08/2013 |
| Details of CPIO :- Telephone Number:- 23381051, Email Id:- socpvrti@mea.gov.in | |
| Note :- You are advised to contact the above mentioned officer for further details. | |
| Nodal Officer Details | |
| Telephone Number | 23388648 |
| Email Id | socpvrti@mea.gov.in |

Print RTI Application | Print Status | Go-Back

## সহাঁৰি

"ভিউ ষ্টেতাচ" টেবৰ যোগেদি আবেদনকাৰীয়ে নিজে দাখিল কৰা আবেদনৰ স্থিতি পৰিক্ষা কৰিব পাৰিব।

## সবিশেষ জানিবলৈ

আৰটিআই-ৰ অধীনত অহা কাৰ্যালয়ৰ সকলো বিভাগ / বিষয়াই ইচ্ছা কৰিলে, লগইন কৰক

www.rti.gov.ineRTICornereGuide 2013-issue.pdf

## ক'লৈ যাব?

- আপুনি সংশ্লিষ্ট বিভাগৰ ৰাজহুৱা তথ্য বিষয়াৰ (PIO / APIO) পৰা সহায় লব পাৰে।
- আপুনি লগতে কাষত থকা CSC কেন্দ্ৰলৈ গৈ কেন্দ্ৰৰ VLE আৰটিআই দাখিল কৰিবলৈ সহায় বিচাৰিব পাৰে।




CSC
e-Governance Services India Limited

**For more information, please contact:**

CSC e-Governance Services India Limited
Electronics Niketan, 3rd Floor,
6, CGO Complex, Lodhi Road, New Delhi – 110003
Tel: +91-11-24301349 | Web: www.csc.gov.in